Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, APRIL 22, 2025 ■ মঙলবাৰ, ৮ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৩ Guwahati, Assam ।। মূল্যঃ এটকা



চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত মাৰ্কিন উপ-ৰাষ্ট্ৰপতি, সোমবাৰে

## ইষ্টাৰৰ পৰৱৰ্তী দিনটোতেই এৰিলে ধৰাধাম

## প্ৰয়াত পোপ ফ্ৰান্সিছ, খ্ৰীষ্টান বিশ্বত শোকৰ ছাঁ



ভেটিকান চিটি, ২১ এপ্ৰিলঃ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত মহাপ্ৰয়াণ ঘটিল পোপ ফ্ৰান্সিছৰ। সোমবাৰে পুৱা ২ পৃষ্ঠাত চাওক

## কৰ্ণাটকৰ প্ৰাক্তন ডিজিপিৰ ৰহস্যজনক মৃত্যু

পত্নী-কন্যালৈ সন্দেহৰ আঙুলি

তদন্তকাৰী বিষয়া বিপাঙত



বাংগালুৰু, ২১ এপ্ৰিলঃ কৰ্ণাটক আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ওম প্ৰকাশৰ ৰহস্যজনক মৃত্যুক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। ৫ নং পৃষ্ঠাত

## মন্ত্ৰী অশোক সিংহলৰ নাম লৈ উপপথ কৰিলে দখল

### ৰাস্তা বন্ধ কৰি বৃহৎ অট্টালিকা নিৰ্মাণ

ই-সংবাদ, ২১ এপ্ৰিলঃ ক্ষমতাৰ ৰাগিত বলীয়ান হৈ ভূমি দখলত নামি পৰিছে নেকি অসম চৰকাৰৰ এগৰাকী মন্ত্ৰীয়ে? ৰাজ্য চৰকাৰৰ অনা-অসমীয়া মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে ৩ নং পৃষ্ঠাত

## আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ

নতুন দিল্লী, ২১ এপ্ৰিলঃ ভাৰতৰ সৈতে চলি থকা বাণিজ্যিক উত্তেজনাৰ মাজতে সোমবাৰে পুৱা ৬ নং পৃষ্ঠাত

## বিজেপি দলৰ প্ৰতীক গডছেৰ সেই বন্দুকটো!

ই-সংবাদ, ২১ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰত পিছপৰি থকা নাই অসম প্ৰদেশ কংগ্ৰেছ। ৭ পৃষ্ঠাত

### ৰে'ল সুৰক্ষা আয়োগৰ প্ৰতিবেদনত চাঞ্চল্যকৰ তথ্য ■ ওলাল প্ৰকৃত স্বৰূপ

# গৰুতৰ শিঙৰ খুন্দাও সহিব নোৱাৰে 'বন্দে ভাৰত' ৰেলে

● মেক ইন ইণ্ডিয়াৰ নামত চলিছে ভয়ংকৰ প্ৰহসন, অসাৰ হ'ল চৰকাৰৰ ৰেল বিভাগে কৰি অহা বহু দাবী



নতুন দিল্লী, ২১ এপ্ৰিলঃ গৰুৰ খুন্দাতে বাগৰি পৰিব পাৰে দেশৰ গৌৰৱ! ৰে'ল মন্ত্ৰালয়ৰ অন্যতম সফল প্ৰকল্পৰূপে দাবী কৰি মোদী চৰকাৰে ঢাক-ঢোল বজাই প্ৰচাৰ কৰা বন্দে ভাৰত এক্সপ্ৰেছৰ নিৰাপত্তাক লৈ শেহতীয়াকৈ ২ পৃষ্ঠাত চাওক

## অন্ধবিশ্বাসৰ বাবেই সংঘটিত হত্যাকাণ্ড! জালত পৰিল ৩ হত্যাকাৰী



ই-সংবাদ, ডিফু, ২১ এপ্ৰিলঃ শিলনীজানৰ জিলাংছৰ মুণ্ডা বস্তিত সংঘটিত ৫নং পৃষ্ঠাত

ৰাহুল গান্ধীৰ গোচৰ

## কেন্দ্ৰক তথ্য দাখিলৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ

লক্ষ্ণৌ, ২১ এপ্ৰিলঃ বৃটিছ নাগৰিক লোকসভাৰ বিৰোধী দলৰ নেতা তথা সাংসদ ৰাহুল গান্ধী! ২ পৃষ্ঠাত চাওক

## কটু মন্তব্য কৰি বিপদত বিজেপিৰ নিশিকান্ত ডুবে

নতুন দিল্লী, ২১ এপ্ৰিলঃ উচ্চতম ন্যায়ালয়ৰ বিৰুদ্ধে কটু মন্তব্য কৰি ৭ পৃষ্ঠাত

## গণ প্ৰহাৰত ছাগলী চোৰৰ উৰিল প্ৰাণ

### ডিব্ৰুগড়ত চাঞ্চল্য

ই-সংবাদ, ডিব্ৰুগড়, ২১ এপ্ৰিলঃ ডিব্ৰুগড়ৰ বকুল চাহ বাগিচাৰ হাতীগড় বকপাৰাত সংঘটিত হৈছে ২ পৃষ্ঠাত

### গুৱাহাটীত ৰাজ্যসভাৰ সাংসদ নীৰজ ডাংগিৰ মন্তব্য

## 'নেশ্যনেল হেৰাল্ড'ক লৈ বিজেপিয়ে চলাইছে অপ-প্ৰচাৰ



গুৱাহাটী, ২১ এপ্ৰিলঃ কংগ্ৰেছৰ প্ৰাক্তন অধ্যক্ষা ছোনিয়া গান্ধী আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে নেশ্যনেল হেৰাল্ড গোচৰত তদন্তকাৰী সংস্থা ইডিয়ে চাৰ্জশ্বিট দাখিল কৰাক লৈ শেহতীয়াকৈ দেশজুৰি শেষাংশ ৫ পৃষ্ঠাত

### ধেমাজি-ডিগবৈত চিএমৰ প্ৰচাৰ

## লুণ্ডীৰ ছবিত কংগ্ৰেছ দলক নিৰ্বাচন খেলিবলৈ পৰামৰ্শ হিমন্ত বিশ্বৰ


ই-সংবাদ বিশেষ, ডিগবৈ-ধেমাজি, ২১ এপ্ৰিলঃ উজনিত বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। অহা ২ মে'ত অনুষ্ঠিত হ'বলগীয়া ৬ নং পৃষ্ঠাত



## মুম্বাইত জালত বাংলাদেশী নুছৰত-জাবিৰ

ই-সংবাদ, ২১ এপ্ৰিলঃ ভাৰতত অবৈধভাৱে বাংলাদেশী নাগৰিকক প্ৰৱেশ কৰোৱা এটা বৃহৎ চক্ৰ উৎখাত হৈছে। মুম্বাই আৰক্ষীৰ

ধনৰ বিনিময়ত বাংলাদেশী লোকক ভাৰতলৈ অনা বৃহৎ চক্ৰ উৎখাত



অভিযানত এই চক্ৰটো পোহৰলৈ অহাত আৰক্ষীৰ জালত পৰিছে। অবৈধ বাংলাদেশীক অবৈধ প্ৰৱেশপত্ৰ, পৰিচয়-পত্ৰ ৪ পৃষ্ঠাত

## কোব্ৰা বাহিনীৰ সফলতা, নিহত ৬ মাওবাদী

ৰাঁচী, ২১ এপ্ৰিলঃ সোমবাৰে পুৱা ঝাৰখণ্ডৰ বোকাৰো জিলাত কোব্ৰা ৩ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৰুতৰ শিঙৰ খুন্দাও সহিব নোৱাৰে বন্দে

এক্সপ্ৰেছৰ। সেই সংঘৰ্ষৰ ফলত হোৱা ৰে'লখনৰ ক্ষয়-ক্ষতিক লৈও সময়ে সময়ে চলি আহিছে চৰ্চা। এনে পৰিস্থিতিৰ মাজতে এতিয়া ৰে'লৱেৰ নিজা আভ্যন্তৰীণ প্ৰতিবেদনত সকীয়াই দিয়া হৈছে যে ঘণ্টাত ১৬০ কিলোমিটাৰ বেগত যাত্ৰা কৰা এই ৰে'লখনে যদি গৰুৰ সৈতে খুন্দা মাৰে তেন্তে ইয়াৰ ফলত এক বৃহৎ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। বিশেষকৈ ৰে'লৰ সন্মুখৰ ডবাটো লঘু হোৱাৰ বাবে এনে বিপদ বৃদ্ধি পোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে ৰে'ল সুৰক্ষা আয়োগৰ প্ৰতিবেদনত। উল্লেখ্য যে, যোৱা তিনি বছৰত কেইবাবাৰো জীৱ-জন্তুৰ সৈতে সংঘৰ্ষত ক্ষতিগ্ৰস্ত হৈছে বন্দে ভাৰত ৰে'ল। ২০২২ চনৰ অক্টোবৰ মাহত গুজৰাটৰ গাইৰাটপুৰ আৰু ভট্টা ষ্টেচনৰ মাজত গৰুৰে সৈতে সংঘৰ্ষৰ পিছত ভাঙি পৰিছিল বন্দে ভাৰত এক্সপ্ৰেছৰ সন্মুখৰ অংশ। একেদৰে ২০২৩ চনৰ জুলাই মাহতো ভালছাদ ষ্টেচনৰ সমীপতো ম'হৰ সৈতে সংঘৰ্ষৰ ফলত ক্ষতিসাধন হৈছিল বন্দে ভাৰতৰ। এতিয়া ৰে'ল সুৰক্ষা আয়োগৰ প্ৰতিবেদনে একাধিক গুৰুতৰ প্ৰশ্নৰ উত্থাপন হৈছে ৰে'ল সুৰক্ষা আয়োগৰ প্ৰতিবেদনত। ইতিমধ্যে দেশৰ বিভিন্ন প্ৰান্তত জীৱ-জন্তুৰ সৈতে সংঘৰ্ষ ঘটিছে বন্দে ভাৰত ৰে'লখনৰ সুৰক্ষাক লৈ অধিক প্ৰশ্নৰ উত্থাপন কৰিছে। মন কৰিবলগীয়া যে, চৰকাৰৰ দাবী অনুসৰি বন্দে ভাৰতে ইতিমধ্যে ৩.৫ কোটি কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিছে। বিষয়াসকলে কয় যে এই ৰে'লখনৰ সন্মুখভাগ এনেদৰে ডিজাইন কৰা হৈছে যে ই সংঘৰ্ষৰ সময়ত আঘাতৰ বল শোষণ কৰিব পাৰে। লগতে জনোৱা হৈছে যে দেশজুৰি ৩৫০০ কিলোমিটাৰ ৰেলপথত ইতিমধ্যে ফেন্সিং স্থাপন কৰা হৈছে, আৰু বন্দে ভাৰতত ইনবিল্ট ফিচাৰ হিচাপে 'কৱচ' আৰু আধুনিক ব্ৰেকিং চিষ্টেম স্থাপন কৰা হৈছে। কিন্তু প্ৰতিবেদনত কোৱা হৈছে যে কেৱল ৰে'লৰ গঠন বা গতি নিয়ন্ত্ৰণ কৰাটোৱেই যথেষ্ট নহয়। যিবোৰ অঞ্চলত গৰু বা মানুহৰ অধিক চলাচল হয়, সেইবোৰ অঞ্চলত বেৰ দিয়া, নিয়মীয়াকৈ আৰপিএফত টহল দিয়া, কৃষকৰ বাবে ছাবমেট্ৰে' নিৰ্মাণ কৰাৰ বাহিৰে আন কোনো বিকল্প নাই। বিশেষকৈ যদি ৰে'লখন ১৬০ কিলোমিটাৰ বেগেৰে গৈ আছে তেন্তে এনে সংঘৰ্ষৰ ফলত ৰে'লখন নিমিষতে বাগৰি পৰিব পাৰে। বৰ্তমান দেশৰ বিভিন্ন প্ৰান্তত ১৩৬ খন বন্দে ভাৰত ৰে'ল চলি আছে। ইয়াৰে ৬২ খন বিগত এটা বছৰত মুকলি কৰা হৈছে। কিন্তু ৰেলৰ গতি বৃদ্ধিৰ প্ৰয়াসত ট্ৰেক বক্ৰ আৰু ষ্টেচনৰ বিন্যাসৰ চাৰিওফালে কেইবাটাও নতুন স্থায়ী গতিৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ইয়াৰ ফলত লোকো পাইলটৰ ওপৰত অধিক হেঁচা বাঢ়িছে। এই পৰিস্থিতিত ৰে'লৱেৰ প্ৰাক্তন প্ৰধান মুখ্য যান্ত্ৰিক অভিযন্তা শুভ্ৰাংশুৱে কয়, "বন্দে ভাৰতৰ নোজেল কোচ বা 'গো ৰক্ষক' আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ট্ৰেইনছেটৰ দৰে একে মানদণ্ডৰ তৈয়াৰ কৰা হয়। ইয়াৰ গঠন সংঘৰ্ষত প্ৰভাৱ শোষণ কৰাৰ বাবে উপযোগী।" কিন্তু প্ৰশ্ন উত্থাপন হয় - 'মেক ইন ইণ্ডিয়া'ৰ এই গৌৰৱ কেৱল প্ৰযুক্তিগত সফলতা হৈ থাকিব নে ৰে'লৱেয়ে একে সময়তে সুৰক্ষা নিশ্চিত কৰিবলৈও সক্ষম হ'ব নে নাই সেয়া দেশবাসীৰ বাবে সময়তহে পৰিষ্কাৰ হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেন্দ্ৰক তথ্য দাখিলৰ নিৰ্দেশ উচ্চ

বিজেপিৰ এনে বিস্ফোৰক অভিযোগক লৈ গৰম দেশৰ ৰাজনৈতিক মহল। ৰাহুল গান্ধীৰ দ্বৈত নাগৰিকত্বৰ বিষয় উত্থাপন হৈছে আদালতৰ মজিয়াতো। এনে পৰিপ্ৰেক্ষিততে এইবাৰ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ বিচাৰপীঠে এই বিতৰ্কিত গোচৰত কেন্দ্ৰৰ পৰা বিতং প্ৰতিবেদন বিচাৰিছে। পৰৱৰ্তী শুনানিত ৰাহুল গান্ধীৰ নাগৰিকত্ব সম্পৰ্কীয় সকলো তথ্য আদালতৰ সন্মুখত দাখিল কৰিবলৈ কেন্দ্ৰক ১০ দিনৰ সময়সীমা প্ৰদান কৰিছে আদালতে। ৫ মে'ত এই গোচৰৰ শুনানি অনুষ্ঠিত হ'ব। উল্লেখ্য যে, আদালতত ৰাহুল গান্ধীৰ নাগৰিকত্বক লৈ গোচৰ ৰুজু কৰিছে বিজেপি নেতা ভিগনেশ শিশিৰে। তেওঁ দাবী কৰে যে ৰাহুল গান্ধী ভাৰতীয় নাগৰিক নহয়, বৰঞ্চ ব্ৰিটিছ নাগৰিক। এই দাবীৰ সমৰ্থনত তেওঁৰ হাতত পৰ্যাপ্ত প্ৰমাণ আছে বুলিও দাবী কৰে। ভিগনেশে কয় যে তেওঁ পোনপটীয়াকৈ ব্ৰিটিছ চৰকাৰৰ সৈতে যোগাযোগ কৰি কিছু তথ্য লাভ কৰিছিল। অৱশ্যে তেওঁ আদালতত কয় যে 'গোপনীয়তা'ৰ বাবেই ব্ৰিটিছ চৰকাৰে কিছু তথ্য প্ৰকাশ কৰা নাই। ভিগনেশে কয় যে ভাৰতীয় সংবিধান অনুসৰি দ্বৈত নাগৰিকত্ব সম্পূৰ্ণ অবৈধ। এনে পৰিপ্ৰেক্ষিতত ৰাহুল গান্ধীৰ বিৰুদ্ধে চিবিআইৰ তদন্তৰ লগতে কেন্দ্ৰৰ হস্তক্ষেপো দাবী জনায় বিজেপি নেতাজনে। ইফালে, ইয়াৰ পূৰ্বে এই গোচৰত কেন্দ্ৰৰ হৈ হাজিৰ হোৱা ডেপুটি ছলিচিটৰ জেনেৰেল এছ বি পাণ্ডেই আদালতত কয় যে সংশ্লিষ্ট মন্ত্ৰালয়ে ইতিমধ্যে এই বিষয়টো চোৱাচিতা কৰিবলৈ ব্ৰিটিছ চৰকাৰলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। যদিও কেন্দ্ৰই প্ৰতিবেদন দাখিল কৰিবলৈ ৯ সপ্তাহৰ সময় বিচাৰিছিল, আদালতে নাকচ কৰে। ২১ এপ্ৰিলৰ শুনানিৰ দিনটোত কেন্দ্ৰই আদালতত কোনো প্ৰতিবেদন দাখিল নকৰাৰ পিছত ন্যায়াধীশ এ আৰ মাছুদী আৰু ৰাজীৱ সিঙৰ বিভাগীয় বিচাৰপীঠে ক্ষোভ প্ৰকাশ কৰে। আদালতে স্পষ্টভাৱে উল্লেখ কৰে যে আৰু সময় নাই- ৰাহুল গান্ধীৰ নাগৰিকত্ব সম্পৰ্কীয় সকলো তথ্য ১০ দিনৰ ভিতৰত আদালতত দাখিল কৰিব লাগিব। মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বেও কেইবাবাৰো ৰাহুল গান্ধীৰ নাগৰিকত্ব সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে। বিজেপি নেতা সুব্ৰমণিয়াম স্বামীয়ে একেটা অভিযোগতে দিল্লী উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। তেওঁ দাবী কৰে যে ২০০৫ আৰু ২০০৬ চনত ৰাহুলে ব্ৰিটিছ কোম্পানী বেকপছ লিমিটেডৰ ওচৰত দাখিল কৰা নথি-পত্ৰ তেওঁৰ ব্ৰিটিছ নাগৰিকত্বৰ প্ৰমাণ। আনকি ৰাহুলে ইংলেণ্ডত নিজৰ নামত কোম্পানী এটাৰ ঘোষণাত নিজকে 'ইংলেণ্ডৰ নাগৰিক' বুলিও উল্লেখ কৰিছিল। এই অভিযোগ উত্থাপন কৰি বিজেপিয়েও বিগত সময়ত ৰাহুল গান্ধীৰ মনোনয়ন নাকচ কৰাৰ দাবী জনাইছিল। অৱশ্যে এই বিতৰ্কক লৈ মোদী চৰকাৰে কেতিয়াও মাত মাতিব পৰা নাই। প্ৰতিবাৰেই নাগৰিকত্বৰ সমস্যাৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছে নৰেন্দ্ৰ মোদীৰ চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গণ প্ৰহাৰত ছাগলী চোৰৰ উৰিল প্ৰাণ

এক চাঞ্চল্যকৰ ঘটনা। পুৱতি নিশা দুই সন্দেহযুক্ত ছাগলী চোৰে স্কুটিৰে আহি ছাগলী চোৰ কৰিবলৈ লওঁতেই স্থানীয় ৰাইজে হাতে-লোটে ধৰা পেলায় দুই চোৰক। ক্ষুব্ধ ৰাইজে যুৱক দুজনক আক্ৰমণ কৰাত এজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে চোৰ দুজনে লগত লৈ অনা স্কুটিও জ্বলাই দিয়াৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ আক্ৰমণত গুৰুতৰভাৱে আহত আনজন চোৰক চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। মৃত অভিযুক্ত চোৰজনৰ পৰিচয় এতিয়াও কৰ্তৃপক্ষই নিশ্চিত কৰিব পৰা নাই। আনহাতে আহত লোকজন ডিব্ৰুগড়ৰ বৈৰাগীমঠৰ জ্যোতিৰ্ময় হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। আহত চোৰজনক এ এম চি এইচত ভৰ্তি কৰে যদিও তেওঁৰ অৱস্থা বাতৰি লিখা পৰলৈকে সংকটজনক বুলি জানিব পৰা গৈছে। বৰ্তমানো সংকটজনক অৱস্থাত চিকিৎসাধীন আছে। ৰাজ্যত ইয়াৰ পূৰ্বে গণপ্ৰহাৰৰ এনে অগণন ঘটনা সংঘটিত হৈ গৈছে যদিও সমাজৰ এক শ্ৰেণীৰ লোকে আজিলৈ শিক্ষা লব পৰা নাই। ৰাংকাৰ শইকীয়া, অভি-নীল, ডাঃ দেৱেন দত্তৰ দৰে চিকিৎসকে প্ৰাণ হেৰুৱাইছে। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত এখন আইন ৰূপায়ণ কৰি ৰাইজক সজাগ কৰাৰ প্ৰয়োজন আছে যদিও পদক্ষেপ লোৱা দেখা নাযায়। তাৰ মাজতেই পুনৰ উজনিৰ এখন জিলাত ছাগলী চুৰিৰ সন্দেহত এজন লোকক গণপ্ৰহাৰ কৰি হত্যা কৰাৰ দৰে জঘন্য ঘটনা সংঘটিত হল। এনে ঘটনা ৰোধ কৰাৰ ব্যৱস্থা নকৰিলে দুনাই যে এনে দুষ্কাৰ্য সংঘটিত নহব সেয়া নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত অসম আৰক্ষী-প্ৰশাসন সজাগ হোৱাৰ সময় আহি পৰিছে। ৰাইজো হব লাগিব সজাগ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰয়াত পোপ ফ্ৰান্সিছ, খ্ৰীষ্টান বিশ্বত শোকৰ

পোপ ফ্ৰান্সিছৰ বিয়োগৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে শোকস্তব্ধ হৈ পৰে বিশ্বৰ লাখ লাখ খ্ৰীষ্টান অনুগামী। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। এদশকৰো অধিক সময় তেওঁ ৰোমান কেথলিক গীৰ্জাৰ চেহেৰা আছিল। সোমবাৰে পুৱা ভেটিকানে আনুষ্ঠানিকভাৱে তেওঁৰ বিয়োগৰ কথা ঘোষণা কৰে। উল্লেখ্য যে, ২০১৩ চনত তেওঁৰ পূৰ্বৰ পোপ ষোড়শ বেনেডিক্টে পদত্যাগ কৰাৰ পিছত ৭৬ বছৰ বয়সত ইতিহাসৰ প্ৰথমজন লেটিন আমেৰিকাৰ পোপ হিচাপে ৰোমান কেথলিক গীৰ্জাৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত হয় 'পোপ ফ্ৰান্সিছ' হিচাপে পৰিচিত হোৱা আৰ্জেন্টিনাৰ জৰ্জ মাৰিঅ' বাৰ্গোগ্লিঅ'ই। কিন্তু বয়সৰ লগত জড়িত ৰোগ আৰু জটিল শাৰীৰিক সমস্যাই তেওঁক ক্ৰমান্বয়ে দুৰ্বল কৰি তুলিছিল। শেহতীয়াকৈ তেওঁ দুবাৰকৈ নিউমোনিয়াতো আক্ৰান্ত হৈছিল। কিছুদিন পূৰ্বে তেওঁ হাস্পতালৰ পৰা ঘৰলৈ উভতি অহাৰ পিছতে সোমবাৰে পুৱা ৭:৩৫ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ভেটিকান টেলিভিছনত কাৰ্ডিনেল কেভিন ফাৰেলে ঘোষণা পোপ ফ্ৰান্সিছৰ বিয়োগৰ কথা ঘোষণা কৰি কয়, "ভাই-ভনীসকল, গভীৰ দুখৰ সৈতে আমি আমাৰ পবিত্ৰ পিতা ফ্ৰান্সিছৰ বিয়োগৰ কথা ঘোষণা কৰিছো। আজি পুৱা ৭:৩৫ বজাত ৰোমৰ বিচপ স্বৰ্গ পিতাৰ ঘৰলৈ উভতি গ'ল।" ৰোমান কেথলিক গীৰ্জাৰ নিয়ম অনুসৰি পোপৰ মৃত্যুৰ ১৫ৰ পৰা ২০ দিনৰ ভিতৰত 'কনক্লেভ' আহ্বান কৰা হয়, য'ত বিশ্বৰ বিভিন্ন প্ৰান্তৰ কাৰ্ডিনেলসকলে মিলিত হৈ গোপনে ভোটদান কৰি নতুন পোপ নিৰ্বাচন কৰে। সেই প্ৰক্ৰিয়াটো অতি সোনকালে আৰম্ভ হ'ব। প্ৰণিধানযোগ্য যে, ১৯৩৬ চনৰ ১৭ ডিচেম্বৰত আৰ্জেন্টিনাৰ বুয়েনছ আয়াৰ্ছত জন্মগ্ৰহণ কৰিছিল জৰ্জ মাৰিঅ' বাৰ্গোলিঅ'ই। আমেৰিকাৰ পৰা অহা প্ৰথমজন পোপ, আৰু লগতে জেচুইট গীৰ্জাৰ প্ৰথমজন পোপ আছিল তেওঁ। দুখীয়া, সৰল জীৱনশৈলীৰ প্ৰতি তেওঁৰ মমতা আৰু অন্তৰ্মুখী মনোভাৱে তেওঁক বহুতৰে মাজত ব্যতিক্ৰমী ধৰ্মীয় নেতাৰ মৰ্যাদা প্ৰদান কৰিছিল। পোপ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই তেওঁ গীৰ্জাত সংস্কাৰৰ আহ্বান জনায়। শিশু নিৰ্যাতনৰ কেলেংকাৰী আৰু ভেটিকানৰ আভ্যন্তৰীণ সংঘাতৰ বিৰুদ্ধে যুঁজ দিয়া, প্ৰশাসনিক সংস্কাৰ, ভেটিকান প্ৰশাসনত মহিলাক নিযুক্তি দিয়া আৰু প্ৰান্তীয় লোকৰ পক্ষত থিয় দিয়া আদি সকলোবোৰেই আছিল তেওঁৰ পন্টিফিকেটৰ মূল অংশ। অৱশ্যে তেওঁৰ কেইবাটাও সিদ্ধান্তই কেথলিক গীৰ্জাৰ ভিতৰত বিতৰ্কৰো সৃষ্টি কৰিছিল। কিছুমান ৰক্ষণশীল লোকে তেওঁক গীৰ্জাৰ পৰম্পৰাগত পথৰ পৰা আঁতৰি যোৱাৰ অভিযোগ উত্থাপন কৰে। আনহাতে, প্ৰগতিশীল মহলৰ এটা অংশই অনুভৱ কৰিছিল যে তেওঁ আৰু সংস্কাৰবাদী পদক্ষেপ ল'ব পাৰিলেহেঁতেন। কিন্তু বিতৰ্কৰ উৰ্ধ্বত উঠি তেওঁ ১২ বছৰত পাঁচখন গুৰুত্বপূৰ্ণ ভেটিকান সভা আহ্বান কৰে, ৯০০ৰো অধিক সন্তক কেনন হিচাপে গ্ৰহণ কৰে আৰু ৬৫খনতকৈও অধিক দেশলৈ ৪৭ বাৰ বিদেশ ভ্ৰমণ কৰে। পোপ ফ্ৰান্সিছৰ কাৰ্যকালত কিছু ঐতিহাসিক সিদ্ধান্তও লোৱা হৈছিল। তেওঁ কিছুমান বিশেষ পৰিস্থিতিত সমলিংগ দম্পতীক আশীৰ্বাদ দিবলৈ অনুমতি দিয়ে। একে সময়তে তেওঁ ভেটিকানৰ কাৰ্যালয়ত কেইবাগৰাকীও মহিলাক গুৰুত্বপূৰ্ণ নেতৃত্বৰ পদত নিযুক্তি দিছিল, যিটো ৰোমান কেথলিক গীৰ্জাৰ ইতিহাসত আছিল অভূতপূৰ্ব। জটিল বিশ্ব ৰাজনৈতিক পৰিস্থিতিৰ মাজত পোপ ফ্ৰান্সিছে প্ৰব্ৰজন, জলবায়ু পৰিৱৰ্তন, যুদ্ধৰ দ্বাৰা বিচ্ছিন্ন দেশসমূহৰ কাষত থিয় দি শান্তিৰ বাৰ্তা বিয়পোৱাৰ ধৰণটো বহু আন্তঃৰাষ্ট্ৰীয় মহলত প্ৰশংসিত হৈছিল। এফালে তেওঁ মুছলমান, ইহুদী, খ্ৰীষ্টানৰ মাজত আলোচনা বৃদ্ধিৰ বাবে চেষ্টা কৰিছিল, আৰু আনফালে তেওঁ মানৱতা আৰু দয়াক অভিহিত কৰিছিল নেতৃত্বৰ মূল স্তম্ভ হিচাপে। আজি তেওঁৰ বিয়োগৰ লগে লগে এটা ঐতিহাসিক অধ্যায়ৰ অন্ত পৰিল! এতিয়া সমগ্ৰ কেথলিক বিশ্বই অপেক্ষা কৰি আছে এগৰাকী নতুন পন্টিফৰ উত্থানৰ বাবে যিয়ে ভৱিষ্যতে ১৫০০ বছৰীয়া এই প্ৰতিষ্ঠানটোৰ পথ প্ৰদৰ্শন কৰিব। বিশ্বৰ বিভিন্ন নেতাই পোপৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী অশোক সিংহলৰ নাম লৈ উপপথ

বাৰে বাৰে মাটি দখল কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। এইবাৰ গুৱাহাটীৰ মাজমজিয়াত এটা উপপথ দখল কৰি অট্টালিকা নিৰ্মাণৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এইবাৰ মন্ত্ৰী অশোক সিংহলৰ নাম লৈ গুৱাহাটীত উপপথ এটা দখল কৰাৰ অভিযোগ উত্থাপন হৈছে। কিছুদিন পূৰ্বে শোণিতপুৰ জিলাৰ নিজ সমষ্টি ঢেকীয়াজুলিত গোপনে পত্নীৰ নামত মাটি পঞ্জীয়ন কৰি দখল কৰিব খোজাৰ অভিযোগ উত্থাপন হৈছিল। মন্ত্ৰী সিংহলে ঢেকীয়াজুলিৰ মহিলা সমিতিৰ ভূমি গোপনে পঞ্জীয়ন কৰিব খোজা ঘটনাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈ থকাৰ সময়তে এইবাৰ গুৱাহাটীত ৰাজহুৱা পথৰ ভূমি দখল কৰিব খোজাৰ অভিযোগ উঠিছে। ইতিমধ্যে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰা হৈছে। মন্ত্ৰী অশোক সিংহলৰ নাম লৈ সঞ্জয় শৰ্মা নামৰ লোকজনে ৰাজহুৱা মাটি দখল কৰাৰ অভিযোগ উঠিছে। উলুবাৰীৰ জি এছ ৰোডৰ দেৰকুটিৰ লেগুত ৰাস্তা দখল কৰাৰ অভিযোগ উঠিছে। জি এছ ৰোডৰ দেৰকুটিৰ লেগুত দশকৰ পিছত দশক ধৰি এটা উপপথ আছে। প্ৰায় ১৯৩০ চনৰ পৰা মেপত থকা উপপথটো ৰাইজে ব্যৱহাৰ কৰি আহিছে। কিন্তু অশোক সিংহল মন্ত্ৰী হোৱাৰ পিছৰে পৰা দেৰকুটিৰ লেগুৰ উপপথ বন্ধ কৰি দিয়া হয়। পথটোৰ দুয়োফালে অট্টালিকা থিয় কৰাই পথটো বন্ধ কৰি দিয়া হৈছে। পথ দখল কৰি ঘৰ নিৰ্মাণ কৰাৰ পিছতে স্থানীয় ৰাইজে পল্টন বজাৰ আৰক্ষী থানাত ৰুজু কৰিছে এটা গোচৰ। কিন্তু গোচৰ কিমানদূৰ আগবাঢ়িছে সেই কথা জানিব পৰা নাযায়। স্থানীয় ৰাইজে পথ মুকলি কৰাৰ লগতে অপৰাধমূলক গোচৰ ৰুজু কৰি অভিযুক্তসকলক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছে। আজি স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ সন্মুখলৈ ওলাই আহি শীঘ্ৰে অট্টালিকা ভাঙি পথটো মুকলি কৰিবলৈ কয়। স্থানীয় ৰাইজ কয় যে চৰকাৰী মেপত থকা ৰাস্তা বন্ধ কৰি দিয়া হৈছে। চৰকাৰী মেপ মতে যিখিনি ঠাইত থাকিব লাগিছিল এটা পথ, সেই পথটোৰ ওপৰত অট্টালিকা থিয় কৰোৱাই নহয় পথটো সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে। সঞ্জয় শৰ্মাই নিজকে অশোক সিংহলৰ মানুহ বুলি কয়। শৰ্মাই পথটো তেওঁলোকৰ বুলি কয়। কিন্তু আমি কওঁ যে মেপত পথটো আছে। পুৰণি মানুহে ৰাস্তাটোৰ কথা জানে। এইটো ৰাস্তাৰে বাইলেন নম্বৰ ৱানৰ পৰা সংযোগ কৰে জি এছ ৰোডক। উলুবাৰীৰ এগৰাকী জ্যেষ্ঠ নাগৰিকে কয় যে ১৯৩৩ চনৰ মেপত এই ৰাস্তাটো আছে। ৰেকৰ্ড সলনি হ'ব নোৱাৰে। মন্ত্ৰীৰ ওচৰলৈ যোৱাত হয়তো কৰি দিম বুলি কৈছে। মন্ত্ৰী হ'লে, মুখ্যমন্ত্ৰী হ'লেও মাটি তেনেকৈ দিব নোৱাৰে। বাপেক-পুতেকক মাটি লিখি দিব নোৱাৰে। কিন্তু মন্ত্ৰীৰ নামটো কৈছে। চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া সময়ত লক্ষণীয় হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোব্ৰা বাহিনীৰ সফলতা, নিহত ৬

কোব্ৰা কমাণ্ডো আৰু আৰক্ষীৰ সৈতে হোৱা এক মুখামুখিত ৬ মাওবাদী নিহত হয়। কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীয়ে জনোৱা মতে, বোকাৰোৰ লালপানিয়া অঞ্চলৰ লুগু পাহাৰত পুৱা প্ৰায় ৫:৩০ বজাৰ পৰা বন্দুক যুদ্ধ আৰম্ভ হয়। উল্লেখ্য যে, মাওবাদীৰ বিৰুদ্ধে আৰক্ষীৰ সৈতে যুটীয়াভাৱে এই অভিযান চলায় চিআৰপিএফৰ বিশেষ বাহিনী 'কোব্ৰা'ৰ ২০৯ নং ইউনিট, অৰ্থাৎ কমাণ্ডো বেটেলিয়ন ফৰ ৰিজ'লিউট একচনে। এই সংঘৰ্ষত ৬ মাওবাদীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীৰ পৰা দুটা ইনছাছ ৰাইফল, এটা ছেল্ফ লোডিং ৰাইফল আৰু এটা পিষ্টল উদ্ধাৰ কৰা হয়। মন কৰিবলগীয়া যে কোব্ৰা বাহিনী হৈছে চি আৰ পি এফৰ এক অভিজাত ইউনিট, যিটো মূলতঃ জংঘলত মাওবাদী বিৰোধী অভিযান চলাবলৈ গঠন কৰা হৈছিল। শেহতীয়াকৈ ঝাৰখণ্ডত সংঘটিত হোৱা মাওবাদীৰ একাধিক কুটাঘাতৰ মাজত নিৰাপত্তা বাহিনীৰ এই অভিযান এক বৃহৎ সাফল্য হিচাপে পৰিগণিত হৈছে। দেশৰ কেইবাখনো ৰাজ্যত চলিছে এই অভিযান।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অন্ধবিশ্বাসৰ বাবেই সংঘটিত হত্যাকাণ্ড!

নৃশংস হত্যাকাণ্ডৰ অভিযোগত আৰক্ষীয়ে তিনিজন হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে আজি হত্যাকাণ্ডৰ সৈতে জড়িত থকা হীৰেন নাৰ্জাৰী, যোগেশ্বৰ প্ৰজা আৰু কৃষ্ণ খাৰিয়া নামৰ তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। কৃষ্ণ খাৰিয়া আৰু যোগেশ্বৰ প্ৰজাক মুণ্ডা বস্তিৰ পৰা গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে হীৰেন নাৰ্জাৰীক গোলাঘাটৰ নাওজানৰ এঘৰ মানুহৰ তাত লুকাই থকা অৱস্থাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াই সংবাদ মাধ্যমৰ আগত তিনিজন অভিযুক্তক গ্ৰেপ্তাৰৰ কথা প্ৰকাশ কৰি ঘটনাৰ তদন্ত অব্যাহত আছে বুলি প্ৰকাশ কৰে। উল্লেখ্য যে অন্ধবিশ্বাসৰ ফলতেই এই নৃশংস আক্ৰমণৰ ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। হত্যাৰ বলি হোৱা দম্পতীটোক বেজালি কৰা আৰু গুৰু-শিষ্যৰ মাজত মত-পাৰ্থক্যৰ বাবেই হত্যাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে নিজ বাসগৃহৰ পৰা প্ৰায় ৫০০ মিটাৰ নিলগত এটা পৰিত্যক্ত কয়লা খনিৰ পৰা জৰলো মুণ্ডা আৰু পত্নী পঞ্চমী মুণ্ডাৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু তিনি সন্তানক অতি নৃশংসভাৱে আঘাতপ্ৰাপ্ত অৱস্থাত বাসগৃহতে মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰা হৈছিল। আনহাতে, আছাৰ কাৰ্বি আংলং জিলা সমিতিয়ে আজি ঘটনাস্থলী পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত ভয়ংকৰ তথ্য সদৰী কৰি অন্ধবিশ্বাসৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি ব্যক্ত কৰে। উল্লেখ্য যে আছাৰ নেতৃত্বই জানিবলৈ দিয়া অনুসৰি বেজালিৰ সম্পৰ্ক আছিল হত্যাকাৰী আৰু জৰলে মুণ্ডাৰ মাজত। বেজালিৰ গুৰু-শিষ্য আছিল হত্যাকাৰী আৰু জৰলো মুণ্ডা। এই তথ্য গাঁওবাসীয়ে আছাৰ নেতৃত্বক জনোৱা বুলি আছাৰ নেতৃত্বই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আছাৰ নেতৃত্বই প্ৰশাসনৰ ওচৰত দাবী জনাই কয় যে যিসকলে এই নাৰকীয় ঘটনা সংঘটিত কৰিলে তেওঁলোকৰ শাস্তি ফাঁচি হ'ব লাগে। আইনৰ সুৰুঙাৰে যাতে সাৰি যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনায়। আছা নেতৃত্বই ৰাজহুৱাকৈ মৃতকৰ সৎকাৰ কৰাৰ লগতে মৃতকৰ কণ কণ ল'ৰা-ছোৱালীকেইটাৰ ক্ষেত্ৰত জিলা প্ৰশাসনক সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। আছা নেতৃত্বই আছাৰ তৰফৰ পৰাও পৰিয়ালটোলৈ সহায় আগবঢ়োৱাৰ কথা ঘোষণা কৰে। আনহাতে জিলা আৰক্ষী অধীক্ষকে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি কৈ তদন্তৰ পিছতহে প্ৰকৃত ৰহস্য পোহৰলৈ আহিব বুলি জানিবলৈ দিয়ে। আনহাতে ঘটনাস্থলীত একাংশ আদিবাসী দল-সংগঠনে দোষীক ফাঁচিৰ দাবী জনাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুম্বাইত জালত বাংলাদেশী নুছৰত-জাবিৰ

জালিয়াতি আৰু বেংকিং জালিয়াতিৰ সুবিধা প্ৰদান কৰা অপৰাধ চক্ৰৰ সৈতে এগৰাকী মহিলা আৰু দুজন পুৰুষক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। নবী মুম্বাইৰ কোপাৰ খৈৰানে আৰু উলৱেৰৰ পৰা নুছৰত এ কাজী আৰু জাবিৰ ইউনুছ শ্বেখ, দক্ষিণ মুম্বাইৰ ৰফি আহমেদ কিদৱাই মাৰ্গৰ পৰা শ্বেখ মহম্মদ মুজিবক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মুম্বাই আৰক্ষীৰ সহায়ত মেঘালয় আৰক্ষীৰ দলে সন্দেহযুক্ত মুজিব, নুছৰত আৰু জাবিৰক অধিক ৰহস্য উদঘাটনৰ বাবে মেঘালয়লৈ অনা হৈছে। মেঘালয় আৰক্ষীৰ সহযোগত তেওঁলোকক জেৰা কৰি থকা হৈছে। মহাৰাষ্ট্ৰ চৰকাৰৰ নিৰ্দেশত মুম্বাই আৰক্ষীয়ে বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা নাগৰিকক চিনাক্ত কৰিবলৈ এক অভিযান আৰম্ভ কৰিছে। এই অভিযানকালত বহু সন্দেহজনক বাংলাদেশী গ্ৰেপ্তাৰ হৈছে। শেহতীয়াকৈ গ্ৰেপ্তাৰ কৰা শ্বেখ মহম্মদ মুজিব অবৈধ বাংলাদেশী সৰবৰাহ নেটৱৰ্কৰ এজন মুখ্য সহায়ক বুলি তথ্য লাভ কৰিছে আৰক্ষীয়ে। অভিযানত জাল নথি-পত্ৰ, ডিজিটেল প্ৰমাণ আৰু চিনাক্তকৰণ নথি-পত্ৰ তৈয়াৰ কৰিবলৈ ব্যৱহৃত সঁজুলি জব্দ হৈছে। এই চক্ৰটোৱে ভুৱা ঠিকনা ব্যৱহাৰ কৰি জাল নথি-পত্ৰৰ ব্যৱস্থা কৰিছিল আৰু সীমান্তৰ পৰা মুম্বাই আৰু আহমেদাবাদৰ দৰে মহানগৰলৈ অবৈধ অনুপ্ৰৱেশকাৰীক সৰবৰাহ কৰিবলৈ মধ্যস্থতাকাৰী নিয়োগ কৰিছিল। এ নুছৰত কাজী আৰু শ্বেখে অনুপ্ৰৱেশকাৰীসকলৰ নামত বেংক একাউণ্ট খুলিবলৈ ভুৱা পৰিচয় ব্যৱহাৰ কৰিছিল। একাউণ্টবোৰৰ দ্বাৰা ঋণ জালিয়াতি কৰা হৈছিল। চাইবাৰ অপৰাধৰ বাবে বেংকৰ পাছবুকক নথি হিচাপে ব্যৱহাৰ কৰা হৈছিল। বিত্তীয় কেলেংকাৰী সংঘটিত কৰাৰ লগতে বেংক একাউণ্টবোৰ চাইবাৰ অপৰাধীসকলক বিক্ৰী কৰিছিল। এই নেটৱৰ্কটোৱে হাজাৰ হাজাৰ অনুপ্ৰৱেশকাৰীক ভুৱা ভাৰতীয় নথিপত্ৰ প্ৰাপ্ত কৰাত সহায় কৰিব পাৰে বুলি সন্দেহ কৰা হৈছে। শ্বিলঙত আৰক্ষীৰ বিষয়াসকলে কয় যে ৰাজ্যজুৰি চোৰাংচোৱা সংস্থা আৰু আইনী সংস্থা অধিক সতৰ্ক হোৱাৰ প্ৰয়োজন হৈছে। অবৈধ প্ৰব্ৰজন, দস্তাবেজ জালিয়াতি আৰু বিত্তীয় অপৰাধৰ সুসংগঠিত নেটৱৰ্কে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। এই ঘটনা মেঘালয়ৰ সৈতে জড়িত হৈ আছে। কিয়নো বহু বাংলাদেশীয়ে মেঘালয়ৰ সীমান্তৰে ভাৰতত প্ৰৱেশ কৰে। বাংলাদেশৰ সৈতে মেঘালয়ৰ সৈতে ৪৪৩ কিলোমিটাৰ দীঘল সীমা লাগি আছে। সীমান্তৰ বৃহৎ অংশ কাঁটা তাঁৰ বেষ্টনীহীনভাৱে আছে। বিশেষকৈ খাচী-জয়ন্তীয়া পাহাৰ অঞ্চলৰ সীমান্ত এলেকা আজিও মুক্ত হৈ আছে। বাংলাদেশত চলি থকা ৰাজনৈতিক অস্থিৰতা আৰু ৰাজনৈতিক শত্ৰুতাৰ বাবে প্ৰাণৰ মমতাত একাংশ লোকে মেঘালয় খণ্ডৰ মাজেৰে ভাৰতত অনুপ্ৰৱেশ কৰি আহিছে। আৰক্ষী সূত্ৰই কয় যে বাংলাদেশৰ সৈতে কূটনৈতিক সম্পৰ্ক, সীমান্ত আন্তঃগাঁথনি বৃদ্ধি আৰু এনে ধৰণৰ প্ৰণালীগত উলংঘন প্ৰতিহত কৰিবলৈ সক্ৰিয় নীতিগত ব্যৱস্থাৰ আৱশ্যকতা আছে। বিশেষ অভিযানটোৰ নেতৃত্ব দিয়া সহকাৰী আৰক্ষী অধীক্ষক আশু পন্ত, নবী মুম্বাইৰ আৰক্ষী আয়ুক্ত মিলিন্দ ভাৰম্বেৰে কয়। সমগ্ৰ ভাৰতত চলি থকা বাংলাদেশৰ নাগৰিকসকলৰ দ্বাৰা অবৈধ প্ৰৱেশ, পৰিচয় জালিয়াতি আৰু বেংকিং জালিয়াতিৰ সুবিধাৰ সৈতে জড়িত নেটৱৰ্কটোৰ সৈতে অসমৰ সম্পৰ্ক থাকিব পাৰে।

# তামুলপুৰত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, ৰাষ্ট্ৰীয় বজৰং দলৰ উত্তাল প্ৰতিবাদ, পথ অৱৰোধ

**ই-সংবাদ, তামুলপুৰ, ২১ এপ্ৰিলঃ** পশ্চিমবংগত হিন্দু নাগৰিকৰ ওপৰত হোৱা হিংসাত্মক ঘটনাৰ প্ৰতিবাদত আজি তামুলপুৰ মটঙাচকত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰং দলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰতিমূৰ্তি দাহ কৰি ৰঙিয়া-ভুটান আন্তৰাষ্ট্ৰীয় ঘাইপথ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। তামুলপুৰ মটঙা চকত সংগঠনটোৰ নেতা-কৰ্মীসকলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ প্ৰতিকৃতি দাহ কৰি হিন্দুৰ ওপৰত নিৰ্যাতন বন্ধ কৰক, মমতা বেনাৰ্জী মুৰ্দাবাদ, ৰাষ্ট্ৰীয় বজৰং দল জিন্দাবাদ, হিন্দুৰ ওপৰত অত্যাচাৰ নচলিব, মমতা বেনাৰ্জী হায় হায় আদি ধ্বনিৰে তামুলপুৰ আকাশ-বতাহ কঁপাই তোলে। ইফালে, আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰং দলৰ আজিৰ এই প্ৰতিবাদৰ সময়ছোৱাত ৰঙিয়া-তামুলপুৰ আন্তঃৰাষ্ট্ৰীয় ঘাইপথৰ লগতে ওদালগুৰি-তামুলপুৰ পথছোৱা প্ৰায় এক ঘণ্টা ধৰি যান-বাহনৰ চলাচল বন্ধ হৈ পৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ অসম প্ৰদেশৰ সম্পাদক দয়াল দাস, আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ তামুলপুৰ জিলাৰ সভাপতি চন্দন শৰ্মা, ৰাষ্ট্ৰীয় বজৰং দল তামুলপুৰ জিলা সমিতিৰ সম্পাদক দিনেশ ৰাজবংশীৰ লগতে তামুলপুৰ জিলাৰ কেইবাটাও প্ৰখণ্ডৰ নেতা-কৰ্মীসকল উপস্থিত থাকে। আনহাতে, ৱাকফ আইন সংশোধনৰো সমৰ্থন কৰে আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ ৰাষ্ট্ৰীয় বজৰং দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰ্ণাটকৰ প্ৰাক্তন ডিজিপিৰ ৰহস্যজনক

নিজ বাসগৃহতে ৰক্তাক্ত অৱস্থাত উদ্ধাৰ হোৱা প্ৰাক্তন আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুক লৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ সময়তে এইবাৰ মাতৃ আৰু ভগ্নীৰ বিৰুদ্ধে এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে পুত্ৰ কাৰ্তিক প্ৰকাশে। কাৰ্তিকৰ অভিযোগ অনুসৰি, মাতৃ পল্লৱী প্ৰকাশ আৰু ভগ্নী কৃতি প্ৰকাশ জড়িত আছে পিতৃ ওম প্ৰকাশৰ হত্যাত। হত্যাৰ পিছতে দুয়োজনে নিজকে কোঠাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছিল বুলিও অভিযোগ তুলিছে কাৰ্তিকে। উল্লেখ্য যে, ৬৮ বছৰীয়া ওম প্ৰকাশৰ দেহ শনিবাৰে সন্ধিয়া বাংগালুৰৰ এইচএছআৰ লে'আউটস্থিত নিজ বাসভৱনত উদ্ধাৰ কৰা হয়। তেওঁৰ দেহত আছিল একাধিক ছুৰিকাঘাতৰ দাগ। আৰক্ষীয়ে হত্যাৰ সন্দেহত ইতিমধ্যে সোধা-পোছাৰ বাবে পত্নী আৰু কন্যাক আটক কৰিছে। পুত্ৰ কাৰ্তিকে থানাত দাখিল কৰা অভিযোগত কয়, "মোৰ মাতৃ আৰু ভনী দুয়োয়ে মানসিকভাৱে অসুস্থ। দেউতাৰ সৈতে প্ৰায়ে বিবাদ হৈছিল আৰু হত্যাৰ ভাবুকিও দিছিল।" অভিযোগত কাৰ্তিকে পুনৰ কয় যে পত্নী পল্লৱীয়ে তেওঁক হত্যাৰ ভাবুকি দিয়াৰ বাবে শেহতীয়াকৈ ওম প্ৰকাশে কনিষ্ঠ কন্যা কৃতিৰ ঘৰত আশ্ৰয় লৈছিল। কিন্তু দুদিন আগতে কৃতিয়ে নিজেই দেউতাকক ঘৰলৈ ঘূৰাই আনিছিল। তাৰ পিছত দেওবাৰে বাংগালুৰু গলফ ক্লাবত থকাৰ সময়তে কাৰ্তিকে পিতৃৰ মৃত্যুৰ খবৰ লাভ কৰে। আৰক্ষীয়ে জনোৱা মতে, ঘটনাৰ সময়ত ঘৰত তিনিজন লোক আছিল আৰু মৃতদেহৰ কাষৰ পৰা এটা চোকা অস্ত্ৰ উদ্ধাৰ কৰা হৈছে। ইতিমধ্যে এফআইআৰ দাখিল কৰা হৈছে আৰু হত্যাকাণ্ডৰ তদন্ত আৰম্ভ হৈছে। লক্ষ্যণীয়ভাৱে, ইয়াৰ পূৰ্বে ওম প্ৰকাশৰ পত্নী পল্লৱীয়ে ছ'চিয়েল মিডিয়াত আৰক্ষীৰ এক ফেমিলী গ্ৰুপত একাধিক অসংলগ্ন বাৰ্তা প্ৰেৰণ কৰিছিল। তাতে ওম প্ৰকাশ আৰু তেওঁৰ পুত্ৰৰ পৰা গাৰ্হস্থ্য হিংসাৰ বলি হোৱা বুলি অভিযোগ উত্থাপন কৰিছিল পল্লৱীয়ে। তেওঁ লিখিছিল "ওম প্ৰকাশৰ মৰাণাস্ত্ৰ অতি আধুনিক আৰু বিপজ্জনক।" আন এটা বাৰ্তাত তেওঁ লিখিছিল, "মোৰ ল'ৰাৰ হাতত ৰিভলভাৰ আৰু ৰাইফল আছে। সেইবোৰ সোনকালে জব্দ কৰাটো প্ৰয়োজন। এই সকলোবোৰ সম্পত্তিৰ প্ৰতি লোভ আৰু ঈৰ্ষাৰ বাবেই হৈছে।" উল্লেখ্য যে, বিহাৰৰ পশ্চিম চম্পাৰণ জিলাৰ বাঘা চহৰৰ বাসিন্দা ওম প্ৰকাশে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰি ১৯৮১ চনত আইপিএছ বিষয়া হয়। পিছলৈ কৰ্ণাটকত যোগদান কৰি বল্লাৰী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিছত তেওঁ বিভিন্ন জিলাত আৰক্ষী অধীক্ষক হিচাপে কাম কৰে, লোকায়ুক্ত আৰক্ষী বিষয়াও আছিল, আৰু ২০১৫ চনত ডিজি আৰু আইজিপি হৈছিল। ২০১৭ চনত অৱসৰ লোৱাৰ পিছত তেওঁ পত্নী আৰু কন্যাৰ সৈতে বেংগালুৰুত নিগাজিকৈ থাকিবলৈ লৈছিল। স্থানীয় এজন বাসিন্দাই কয়, "১৯৭১ চনত গণ্ডক নদীৰ বিধ্বংসী বানৰ পিছত ওম প্ৰকাশৰ পৰিয়ালে পাৰসাউনী গাঁও এৰি বাঘা চহৰলৈ গুচি যায়।২০২১ চনত কোভিডৰ দ্বিতীয় লহৰত তেওঁৰ পিতৃৰ মৃত্যু হয়, কিন্তু কোনো পুত্ৰই অন্ত্যেষ্টিক্ৰিয়ালৈ নাহিল।" জনা যায় যে ওম প্ৰকাশ শেষবাৰৰ বাবে ২০২২ চনত বাঘালৈ গৈছিল আৰু তাৰ পিছত তেওঁ নিজৰ পূৰ্বপুৰুষৰ ঘৰৰ কাষতে এটা হনুমান মন্দিৰ নিৰ্মাণ কৰিছিল। দীৰ্ঘদিনীয়া জীৱনত বহু সফলতা অৰ্জন কৰা এইজন আৰক্ষী বিষয়াৰ জীৱনৰ অন্তিম অধ্যায়টো যে এনে এটা পাৰিবাৰিক সংকটে আগুৰি ধৰিব সেয়া কোনেও কল্পনা কৰিব পৰা নাছিল। এই নাৰকীয় ঘটনাক লৈ সামাজিক মাধ্যমত একাংশ নেটিজেনে সাংসাৰিক জীৱনক লৈ বিভিন্ন প্ৰশ্ন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'নেশ্যনেল হেৰাল্ড'ক লৈ বিজেপিয়ে

সৃষ্টি হৈছে তীব্ৰ ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ। বিজেপিয়ে পৰিকল্পিতভাৱে ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে এই ভুৱা গোচৰ জাপি দিয়াৰ অভিযোগ তুলি ইতিমধ্যে দেশৰ প্ৰান্তে প্ৰান্তে প্ৰতিবাদ সাব্যস্ত কৰিছে কংগ্ৰেছে। দলৰ এই প্ৰতিবাদ অব্যাহত থকাৰ সময়তে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰিল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ নীৰজ ডাংগি। সোমবাৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰি জ্যেষ্ঠ নেতাগৰাকীয়ে কয়, "নেশ্যনেল হেৰাল্ড গোচৰ আচলতে বিজেপিৰ এক ষড়যন্ত্ৰ- যাৰ মূল লক্ষ্য হৈছে প্ৰয়োজনীয় বিষয়বোৰৰ পৰা দেশবাসীৰ মনোযোগ আঁতৰোৱা, চৰকাৰৰ ব্যৰ্থতাৰ পৰা দৃষ্টি দূৰ কৰা আৰু স্বাধীনতা আন্দোলনৰ ঐতিহ্যক বিকৃত কৰা।" তেওঁ দাবী কৰে যে এই গোচৰটো ৰাজনৈতিক প্ৰতিশোধ আৰু কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে ইচ্ছাকৃত আক্ৰমণৰ বাহিৰে আন একো নহয়। নীৰজ ডাংগিয়ে কয় যে শেহতীয়াকৈ গুজৰাটত অনুষ্ঠিত ঐতিহাসিক কংগ্ৰেছ অধিৱেশনত ৰাহুল গান্ধীয়ে বিজেপিৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপ লোৱাৰ পিছতে মোদী-শ্বাহ যুটিয়ে পুনৰবাৰ ইডিক সন্মুখলৈ আনি কংগ্ৰেছৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচিবলৈ আৰম্ভ কৰিছে। তেওঁ কয়, "ইডি এতিয়া বিজেপিৰ নিৰ্বাচনী দপ্তৰলৈ পৰিণত হৈ পৰিছে। এই সংস্থাক এতিয়া ভাৰতীয় জনতা পাৰ্টিয়ে 'দমনকাৰী যন্ত্ৰ' হিচাপে প্ৰয়োগ কৰি বিৰোধীৰ বিৰুদ্ধে প্ৰতিশোধৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছে।" কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে লগতে কয় যে ইডিয়ে ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীৰ পৰিয়ালৰ সদস্যৰ বিৰুদ্ধে দাখিল কৰা অভিযোগনামা উদ্দেশ্যপ্ৰণোদিত। আনকি এটকাও লেনদেন নোহোৱা গোচৰত ধন সৰবৰাহৰ অভিযোগ উত্থাপন কৰা হৈছে। ঋণক ইকুইটিলৈ ৰূপান্তৰিত কৰি কোম্পানীটোক পুনৰুজ্জীৱিত কৰাৰ চেষ্টা কৰা হৈছে। তেওঁ কয়, "নিৰ্বাচিত আৰু একপক্ষীয় তদন্তৰ জৰিয়তে ৰাজনৈতিক বিৰোধীক আক্ৰমণ কৰা হৈছে। এয়া এক প্ৰকাৰৰ ৰাজনৈতিক গুণ্ডাগিৰি। ইডিৰ গোচৰত দোষী সাব্যস্ত হোৱাৰ হাৰ মাত্ৰ ১ শতাংশ। ৯৮ শতাংশ ৰাজনৈতিক গোচৰ বিৰোধী দলৰ নেতাৰ বিৰুদ্ধে কৰা হয়। বিজেপিয়ে কংগ্ৰেছ নেতৃত্বক লক্ষ্য কৰি সমগ্ৰ বিৰোধী ৰাজনৈতিক শক্তিক ধ্বংস কৰাৰ চেষ্টা কৰিছে।" ডাংগীয়ে লগতে কয়, "যিসকলে ভয় খুৱাব বিচাৰে তেওঁলোকে আচলতে নিজেই ভয় খাইছে। কিন্তু কংগ্ৰেছৰ কণ্ঠ ৰোধ কৰিব নোৱাৰিব। আমি সত্যৰ বাবে যুঁজি যাম। সত্যই জয়ী হ'ব।" একে সময়তে তেওঁ নেশ্যনেল হেৰাল্ডৰ ইতিহাসৰ বিষয়ে আলোকপাত কৰি কয় যে ১৯৩৭ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত নেশ্যনেল হেৰাল্ড স্বাধীনতা সংগ্ৰামৰ মুখপাত্ৰ হিচাপে প্ৰকাশ পাইছিল। এই কাকতখন ইমানেই শক্তিশালী আছিল যে ১৯৪২ চনৰ 'ভাৰত ত্যাগ আন্দোলন'ৰ সময়ত ব্ৰিটিছ চৰকাৰে ইয়াক নিষিদ্ধ কৰিছিল। এই কাকতখন চলোৱাৰ সময়ত এছ'চিয়েটেড জাৰ্নেলছ লিমিটেডে (এজেএল) ঋণৰ সন্মুখীন হৈছিল, ফলত সংস্থাটো কাৰ্যকৰীভাৱে বন্ধ হৈ পৰিছিল। তেওঁ কয় যে ২০০২ চনৰ পৰা ২০১১ চনৰ ভিতৰত কংগ্ৰেছ দলে কৰ্মচাৰীৰ দৰমহা, পি এফ, ভি আৰ এছ আৰু বিদ্যুতৰ বিল পৰিশোধ কৰিবলৈ কিস্তিত ৯০ কোটি টকাৰ চেক যোগে এজেএলক সহায় কৰিছিল। পিছত 'ইয়ং ইণ্ডিয়ান' সংস্থা গঠন কৰা হয়। ঋণ ইকুইটিলৈ ৰূপান্তৰিত কৰা হয়। এই কোম্পানীটোৰ কোনো শ্বেয়াৰহোল্ডাৰ বা পৰিচালকে ব্যক্তিগতভাৱে কোনো ধৰণৰ আৰ্থিক লাভ কৰা নাই। নীৰজ ডাংগীয়ে ৰুচি ছোয়া আৰু ভোডাফোনৰ দৰে কৰ্পৰেট চুক্তিৰ উদাহৰণ দাঙি ধৰে, য'ত চৰকাৰে ঋণ বাতিল কৰি মালিকীস্বত্ব লাভ কৰিছিল। তাৰ তুলনাত ইয়ং ইণ্ডিয়ানে এজেএলৰ ঋণ গ্ৰহণ আৰু ৰূপান্তকৰণ আছিল এক ন্যায়সংগত পদক্ষেপ। তেওঁ কয়, বিজেপিয়ে বাৰে বাৰে এজেএলৰ সম্পত্তিৰ মূল্য ৫ হাজাৰ কোটি টকা বুলি দাবী কৰাৰ বিপৰীতে আয়কৰ বিভাগে এই সম্পত্তিৰ মূল্য ৪১৩ কোটি টকা বুলি উল্লেখ কৰিছে। বাস্তৱত সম্পত্তিসমূহৰ অধিকাংশই লিজহল্ড আৰু কেৱল সংবাদ মাধ্যমৰ সৈতে জড়িত কামতহে ব্যৱহাৰ কৰিব পাৰি। বিক্ৰীৰ অনুমতি নাই। তেওঁ এই প্ৰশ্নও উত্থাপন কৰে, "যদি ইমান ডাঙৰ অপৰাধ হৈছিল, তেন্তে ইমান বছৰ অপেক্ষা কৰাৰ পিছতো শেষৰ দিনটোতে কিয় চাৰ্জশ্বীট দাখিল কৰা হ'ল?" তেওঁ দাবী কৰে যে এইটো এটা দুৰ্বল গোচৰ আৰু ৰাজনৈতিক হেঁচাত দাখিল কৰা গোচৰ। ডাংগীয়ে কয় যে বৰ্তমান এজেএলে নেশ্যনেল হেৰাল্ড, নৱজীৱন আৰু অনলাইন সংস্কৰণ কোৱামী আৱাজ প্ৰকাশ কৰি আছে। কংগ্ৰেছ পৰিচালিত বাতৰি কাকতত চৰকাৰী বিজ্ঞাপন দিয়া বুলি বিজেপিৰ অভিযোগ সম্পূৰ্ণ ভুৱা বুলি দাবী কৰি কংগ্ৰেছ নেতাগৰাকীয়ে ওলোটাই কয় যে চৰকাৰেহে নিজেই আৰএছএছৰ সৈতে জড়িত পাঞ্চজন্য, অৰ্গেনাইজাৰ, তৰুণ ভাৰতৰ দৰে কাকতত বিজ্ঞাপন দিয়ে। নীৰজ ডাংগীয়ে কয়, "এজেএল কেৱল এটা কোম্পানী নহয়, ই ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক জীৱন্ত দলিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লুঙীৰ ছবিত কংগ্ৰেছ দলক নিৰ্বাচন

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ কালিৰে পৰা ক্ষিপ্ৰ গতি লৈছে। স্থানীয় পৰ্যায়ত শাসক-বিৰোধীৰ নেতাসকলে প্ৰচাৰ চলাই থকাৰ সময়তে অসমৰ শাসক পক্ষৰ মুৰব্বী নেতা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্য বিৰোধী কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি উজনিত তীব্ৰ কৰিছে নিৰ্বাচনী প্ৰচাৰ। শাসক আৰু বিৰোধী দুয়োটা শিবিৰৰ শীৰ্ষ নেতাই ভোটাৰক আকৰ্ষিত কৰিবলৈ প্ৰচাৰ আৰম্ভ কৰিছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উজনিত পঞ্চায়ত নিৰ্বাচনত দুখনকৈ সভাত অংশ লৈ উদাত্ত কণ্ঠে ভাষণ প্ৰদান কৰি বিৰোধীক তীব্ৰ আক্ৰমণ কৰাৰ লগতে বিজেপিৰ ভোট ভিক্ষা কৰি কেইবাটাও প্ৰতিশ্ৰুতি প্ৰদান কৰে। ১০ মে'ত হিমন্ত বিশ্ব শৰ্মা চৰকাৰে চাৰি বছৰ সম্পূৰ্ণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে মই প্ৰথম মুখ্যমন্ত্ৰী হৈছো কথা-বতৰা ভালকৈ জনা নাছিলো। এইবাৰৰ চৰকাৰ নৃত্য-নাটিকা, অহাবাৰৰ চৰকাৰ পুৰা ড্ৰামা, পুৰা চিনেমা চলিব। ইমান উন্নতি হ'ব যে মানুহৰ চিন্তা নোহোৱা হ'ব। অসমখনক ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰৰ এখন কৰিহে এৰিম। আজি মুখ্যমন্ত্ৰীয় ঘৰুৱা ৰন্ধন গেছত ৩০০ টকা কমাই দিয়াৰ লগতে অক্টোবৰ-নৱেম্বৰ মাহত বিদ্যুৎ মাচুল প্ৰতি ইউনিটত এটকাকৈ হ্ৰাস কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে মুখ্যমন্ত্ৰীয়ে কয় যে মোক যদি ভগৱানে ভালে ৰাখে তেন্তে মহিলাসকলক বিনামূলীয়া মোবাইল ফোন প্ৰদান কৰিম। উল্লেখ্য, হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত অসমত শান্তি, প্ৰগতি, উন্নয়নৰ পৰিৱেশ নিৰ্মাণ হৈছে বুলি দাবী কৰি অসমত প্ৰথমবাৰ জনগোষ্ঠীয় সংঘাত সমাপ্ত হোৱাৰ লগতে অসমলৈ উদ্যোগপতি আহিছে, অসমত ৫ লাখ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে বুলি দাবী কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ধেমাজি আৰু ডিগবৈত বিজেপি নেতৃত্বাধীন এনডিএ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ডিগবৈত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপিক প্ৰগতি আৰু স্থিৰতাৰ দল বুলি দাবী কৰি কয় যে আজি অসমত শান্তি আৰু উন্নয়নৰ যুগ আৰম্ভ হৈছে। আমি এটা ঔদ্যোগিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিছো। যাতে আমাৰ যুৱক-যুৱতীসকলে আন ৰাজ্যলৈ প্ৰব্ৰজন কৰাৰ সলনি ঘৰতে সংস্থাপন বিচাৰিব পাৰে। অৰুণোদয় আঁচনি, চৰকাৰী মহাবিদ্যালয়সমূহত বিনামূলীয়া নামভৰ্তি, মহিলা উদ্যমিতা আৰু নিযুত মইনা আঁচনিকে ধৰি চৰকাৰে ৰূপায়ণ কৰা আঁচনিৰ হিচাপ দি ভোট বিচাৰে মুখ্যমন্ত্ৰীয়ে। এনে আঁচনিসমূহক পৰিৱৰ্তনশীল পদক্ষেপ বুলি উল্লেখ কৰি কংগ্ৰেছৰ কাৰ্যকালক তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছে লুঙী, ধুতি, আঁঠুৱা, সূতা বিতৰণ কৰা বুলি কটাক্ষ কৰে মুখ্যমন্ত্ৰীয়ে। কংগ্ৰেছৰ দিনত সূতা-কম্বল, লুঙী, ধুতি দিয়াৰ ৰাজনীতি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে কংগ্ৰেছ মানেই লুঙী-সূতা-কম্বল। কংগ্ৰেছৰ আঁচনি আছিল লুঙী--সূতা-কম্বল, আমাৰ আঁচনি হৈছে অৰুণোদয়। আমাৰ আঁচনি হৈছে কলেজত বিনামূলীয়া নামভৰ্তি। কংগ্ৰেছৰ আঁচনি আছিল আঁঠুৱা, আমাৰ আঁচনি মহিলা উদ্যমিতা। কংগ্ৰেছৰ আঁচনি আছিল কম্বল, আমাৰ নিযুত মইনা। ধেমাজিৰ অকাজান জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ প্ৰচাৰ সভাত অংশ লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয় আঁচনি দিয়া বাবে কংগ্ৰেছে মোক গালি পাৰি থকা বুলি উল্লেখ কৰি কয় যে বিধানসভাতো কংগ্ৰেছে কৈছে, চৰকাৰে অৰুণোদয় আঁচনি কিয় দিব লাগে? আৰে! মই অৰুণোদয় নিদি এতিয়া লুঙী-ধুতি দিম নেকি বুলি কয়। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা বিশেষ ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইনকাম চাৰ্টিফিকেট, গাঁওবুঢ়াৰ প্ৰমাণপত্ৰ অবিহনে এতিয়াৰ পৰা ৰেচন কাৰ্ড দেখুৱালেই কলেজসমূহত বিনামূলীয়া নামভৰ্তি হ'ব। আজিৰ সভাৰ পৰাই সকলো কলেজৰ অধ্যক্ষলৈ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। অগপ-বিজেপিৰ ৩০০ আঞ্চলিক পঞ্চায়ত, ৪০ জিলা পৰিষদ প্ৰাৰ্থী নিৰ্বাচনত আগতীয়াকৈ জয়ী হৈছে বুলি দাবী কৰি ধেমাজিত আটাইকেইখন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তত জয়ী হোৱাৰ দাবী কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ

চাৰিদিনীয়া গুৰুত্বপূৰ্ণ ভ্ৰমণসূচীৰে দিল্লীত উপস্থিত হয় আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্স। লক্ষ্যণীয় যে, শেহতীয়াকৈ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতক সকীয়নি দি কৈছিল যে আগন্তুক ৯০ দিনৰ ভিতৰত যদি কোনো বাণিজ্যিক চুক্তিত উপনীত নহয় তেন্তে ভাৰতীয় ৰপ্তানিৰ ওপৰত শুল্ক ১০ শতাংশৰ পৰা ২৬ শতাংশলৈ বৃদ্ধি কৰা হ'ব। ট্ৰাম্পৰ এই সকীয়নিৰ পিছত দেশখনৰ উপ-ৰাষ্ট্ৰপতি ভেন্সৰ এই ভাৰত ভ্ৰমণে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ ভৱিষ্যত নিৰ্ণয় কৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। সূত্ৰ অনুসৰি আজি দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব জে ডি ভেন্স। আনহাতে ভাৰতীয় মূলৰ পত্নী উষা ভেন্স আৰু তেওঁলোকৰ তিনি সন্তানৰ সৈতে ভাৰতত উপস্থিত হোৱা মাৰ্কিন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানত সন্ধিয়া ৭ লোক কল্যাণ মাৰ্গস্থিত প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহত এক নৈশ ভোজৰো আয়োজন কৰা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত পালম বিমান ঘাটিত উপস্থিত হোৱা মাৰ্কিন উপ-ৰাষ্ট্ৰপতিগৰাকীক গাৰ্ড অৱ অনাৰ প্ৰদান কৰাৰ পিছত ভাৰতলৈ আদৰণি জনায় কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। মন কৰিবলগীয়া যে, প্ৰথমতে ভেন্সৰ এই ভ্ৰমণ ব্যক্তিগত বুলি অভিহিত কৰা হৈছিল যদিও ট্ৰাম্প প্ৰশাসনৰ শুল্ক নীতিক লৈ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক বিতৰ্কৰ মাজতে এই ভ্ৰমণ তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। দুয়োখন দেশৰ নেতৃত্বৰ আলোচনাত মূলতঃ দ্বিপাক্ষিক বাণিজ্য চুক্তিখন ক্ষিপ্ৰ ৰূপায়ণৰ দিশত আগুৱাই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। বৰ্তমান আমেৰিকাৰ সৈতে ভাৰতৰ বাণিজ্য উদ্বৃত্ত ৪৫ বিলিয়ন ডলাৰ, আৰু মুঠ বাণিজ্যৰ পৰিমাণ হৈছে ১৯০ বিলিয়ন ডলাৰ। দুয়োখন দেশেই ২০৩০ চনৰ ভিতৰত এই সংখ্যা ৫০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আনহাতে চীন-আমেৰিকাৰ বাণিজ্যিক উত্তেজনা আৰু বিশ্বজুৰি শুল্ক আৰোপ কৰাৰ ট্ৰাম্পৰ বৃহৎ নীতিৰ সৈতে সম্পৰ্ক থকাৰ বাবে এই ভ্ৰমণৰ সময় অতি কৌশলগত বুলি গণ্য কৰা হৈছে। চলিত মাহৰ ৯ তাৰিখে ৰাষ্ট্ৰপতি ট্ৰাম্পে ২৬ শতাংশ শুল্ক আৰোপ কৰাটো সাময়িকভাৱে স্থগিত ৰাখিছিল যদিও ভাৰতক ৯০ দিনৰ সময়সীমা বান্ধি দিছিল। ভাৰতে ইতিমধ্যে আমেৰিকাৰ কিছুমান সামগ্ৰী যেনে মাছৰ হাইড্ৰ'লাইছেট, চিন্থেটিক ফ্লেভাৰিং এচেন্স, ইথাৰনেট চুইচ, বাৰ্বন হুইস্কি, আৰু মটৰ চাইকেলৰ ওপৰত শুল্ক হ্ৰাস কৰিছে। একে সময়তে অধিক শুল্ক হ্ৰাসৰ ইংগিত দি ভাৰতীয় এজন জ্যেষ্ঠ বিষয়াই জানিবলৈ দিয়া মতে খণ্ডভিত্তিক আলোচনা চলি আছে আৰু মে' মাহৰ ভিতৰত এই আলোচনা সম্পন্ন হ'লে শুল্ক অধিক হ্ৰাস পাব পাৰে। লক্ষ্যণীয়ভাৱে মাৰ্কিন উপ-ৰাষ্ট্ৰপতি ভেন্সৰ ভাৰতৰ সৈতে আছে এক পাৰিবাৰিক সম্পৰ্কও। ভেন্সৰ পত্নী উষা ভেন্সৰ শিপা ভাৰতৰ অন্ধ্ৰপ্ৰদেশত। দিল্লীত অৱতৰণ কৰাৰ লগে লগে ভেন্স পৰিয়ালে স্বামীনাৰায়ণ অক্ষৰধৰ্ম মন্দিৰ পৰিদৰ্শন কৰে। ইয়াৰ পিছতে আগ্ৰাৰ তাজমহল আৰু জয়পুৰৰ ঐতিহ্য ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰাৰ কথা। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে ২১ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈ এই ভ্ৰমণে ভাৰত-আমেৰিকাৰ কৌশলগত বিশ্ব অংশীদাৰিত্ব আৰু অধিক গভীৰ কৰিব। অৱশ্যে এই ভ্ৰমণৰ বাবে এফালে কূটনৈতিক উৎসাহ সৃষ্টি হোৱাৰ বিপৰীতে আনফালে সৃষ্টি হৈছে আভ্যন্তৰীণ প্ৰতিবাদৰ। প্ৰস্তাৱিত বাণিজ্যিক চুক্তিৰ ফলত কৃষি খণ্ডৰ ক্ষতি হ'ব পাৰে বুলি আশংকা কৰি আজি সদৌ ভাৰত কিষাণ সভাকে ধৰি কেইবাটাও কৃষক সংগঠনে দেশজুৰি প্ৰতিবাদৰ আহ্বান জনায়। ইয়াৰ লগতে আমেৰিকাৰ অভিবাসন নীতিক লৈও ভাৰতত অব্যাহত আছে এক অস্বস্তিকৰ পৰিৱেশৰ। তথাপিও মোদী আৰু ট্ৰাম্পৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্পৰ্ক আৰু "মেগা পাৰ্টনাৰশ্বিপ"ৰ ঘোষণাৰ ওপৰত ভিত্তি কৰি আলোচনাত আশা কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালেও আলোচনাত অংশগ্ৰহণ কৰিব, যাৰ পৰা অনুমান কৰিব পাৰি যে এই বৈঠকত প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক কৌশলো আলোচনাৰ মজিয়ালৈ আহিব পাৰে। চাৰিদিনীয়া ভ্ৰমণসূচীত ভাৰতৰ কেইবাটাও ঐতিহাসিক স্থান ভ্ৰমণ কৰিব ভেন্সে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কটু মন্তব্য কৰি বিপদত বিজেপিৰ

বিতৰ্কৰ সৃষ্টি কৰিছে বিজেপি সাংসদ নিশিকান্ত ডুবেই।মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাক “গৃহযুদ্ধৰ বাবে দায়ী” বুলি অভিহিত কৰি সংসদ আৰু বিধানসভা বন্ধ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল বিজেপিৰ সাংসদজনে। তেওঁৰ এই মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ৰাজনৈতিক মহলত। এনে পৰিস্থিতিত নিশিকান্ত ডুবেৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ৰুজু কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ পৰা অনুমতি বিচাৰে এগৰাকী অধিবক্তাই। অৱশ্যে সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ গাভাইৰ বিচাৰপীঠে কয় যে ইয়াৰ বাবে উচ্চতম ন্যায়ালয়ৰ অনুমতিৰ প্ৰয়োজন নাই- নিজেই আদালত অৱমাননাৰ গোচৰ ৰুজু কৰিব পাৰিব। একে সময়তে আবেদনকাৰীক এটৰ্নী জেনেৰেলৰ সন্মতি ল'বলৈও পৰামৰ্শ দিয়ে আদালতে। প্ৰসংগক্ৰমে ৱাকফ আইন গোচৰত আবেদনকাৰীসকলৰ হৈ অধিবক্তা অনাছ তনবীৰে অভিযোগ কৰে যে নিশিকান্ত ডুবেৰ এই মন্তব্যই আদালতৰ মৰ্যাদাক তুচ্ছজ্ঞান কৰাই নহয়, ন্যায়পালিকাৰ প্ৰতি জনমানসত সন্দেহৰো সৃষ্টি কৰিছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে চাৰিবাৰৰ সাংসদ নিশিকান্ত ডুবেই এক্সত লিখিছিল, "যদি উচ্চতম ন্যায়ালয়ে আইন প্ৰণয়ন কৰে, তেন্তে সংসদ ভৱন বন্ধ কৰিব লাগে।" সংবাদ সংস্থা পিটিআইৰ উত্তৰত তেওঁ এইটোও দাবী কৰে যে উচ্চতম ন্যায়ালয়ে সংসদে প্ৰণয়ন কৰা আইনসমূহ বাতিল কৰিছে- আনকি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্তি দিয়া ৰাষ্ট্ৰপতিকো নিৰ্দেশনা দিছে। তেওঁ কয় যে উচ্চতম ন্যায়ালয়ৰ এই ভূমিকা সংসদৰ ক্ষমতা দখল কৰাৰ সমান। আদালতে গোচৰৰ শুনানিৰ সময়ত ৱাকফ (সংশোধনী) আইনৰ কিছুমান বিতৰ্কিত ধাৰাৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰে, তাৰ পিছত কেন্দ্ৰই কয় যে পৰৱৰ্তী শুনানিৰ তাৰিখলৈকে সংশ্লিষ্ট ধাৰাসমূহ কাৰ্যকৰী কৰা নহ'ব। ইয়াৰ পিছত নিশিকান্ত ডুবেই এখোজ আগুৱাই গৈ কয়, যদি মছজিদ সম্পৰ্কীয় গোচৰত প্ৰমাণ বিচৰা নহয়, তেন্তে ৰাম মন্দিৰৰ গোচৰত কিয় প্ৰমাণ বিচৰা হয়? উচ্চতম ন্যায়ালয়ে সমকামিতাক বৈধ কৰা আৰু আই টি আইনখনৰ ৬৬(এ) ধাৰা বাতিলৰ উদাহৰণ দি তেওঁ কয়, "যদিও সকলো ধৰ্মই সমকামিতাক ভুল বুলি গণ্য কৰে, তথাপিও আদালতে ইয়াক বৈধ কৰি তুলিলে। অনলাইন নিৰ্যাতন ৰোধ কৰিবলৈ ৬৬(এ) ধাৰাটো প্ৰয়োজনীয় আছিল। তথাপিও আদালতে সেইটোও বাতিল কৰিলে।" কেৱল আদালততে নহয়, প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত এছ ৱাই কুৰেশ্বীকো আক্ৰমণ কৰে ডুবেই। তেওঁ কয়, "আপুনি নিৰ্বাচন আয়ুক্ত নাছিল, আপুনি এজন মুছলমান আয়ুক্ত আছিল। আপোনাৰ সময়তে ঝাৰখণ্ডৰ সান্তল পৰগনাত সৰ্বাধিক বাংলাদেশী অনুপ্ৰৱেশকাৰীক ভোটাৰ কৰা হৈছিল।" ইয়াৰ উত্তৰত কুৰেশ্বীয়ে কয়, "মই গোটেই জীৱন ভাৰতীয় আইএএছ বিষয়া হিচাপে নিজৰ সাংবিধানিক কৰ্তব্য নিষ্ঠাৰে পালন কৰি আহিছো। মই এনে এখন ভাৰতৰ সপোন দেখিছিলো য'ত এজন ব্যক্তিক তেওঁৰ ধৰ্মৰ দ্বাৰা নহয়, তেওঁৰ কাম আৰু অৱদানৰ দ্বাৰা বিচাৰ কৰা হয়। কিন্তু কিছুমান মানুহে ধৰ্মীয় পৰিচয়ক ঘৃণাৰ ৰাজনীতিৰ আহিলা হিচাপে গঢ়ি তুলিছে।" বিজেপি সাংসদ নিশিকান্ত ডুবেৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধীয়েও। সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে নিশিকান্ত ডুবেৰ মন্তব্যক গৰিহণা দি কয় যে এজন প্ৰাক্তন সাংবিধানিক বিষয়ববীয়াৰ ওপৰত মন্তব্য কৰাৰ আগতে চিন্তা কৰা উচিত। তেওঁ নিজৰ কাম সততাৰে কৰিলে আৰু অৱসৰপ্ৰাপ্ত ব্যক্তিৰ বিষয়ে অপমানজনক মন্তব্য কৰাটো উপযুক্ত নহয়। তেওঁ লগতে কয় যে নিজৰ দলৰ সৈতে বিশ্বাসযোগ্যতা হেৰুৱাই পেলোৱা কোনোবাই এনে মন্তব্য কৰাৰ পৰা বিৰত থকাটো সন্মানৰ কথা। একে সময়তে স্পষ্ট হৈ পৰিছে নিশিকান্ত ডুবেৰ মন্তব্যক লৈ দলৰ অস্বস্তিও। নাড্ডাই উল্লেখ কৰিছে যে এই মন্তব্য দলৰ নহয়, ডুবেৰ সম্পূৰ্ণ ব্যক্তিগত মন্তব্য। তেওঁ কয়, "বিজেপিৰ ন্যায়পালিকাৰ প্ৰতি সন্মান আছে। আদালত গণতন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ অংগ। সকলো দলৰ নেতাক এনে মন্তব্যৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে।" ৰাজনৈতিক মহলত এটাই প্ৰশ্ন উত্থাপন হৈছে- এজন সাংসদৰ এনে মন্তব্য কিমান গ্ৰহণযোগ্য? এই ঘটনাৰ দ্বাৰা ন্যায়পালিকাৰ স্বাধীনতা, সাংবিধানিক দায়বদ্ধতাৰ প্ৰশ্নটো আকৌ ৰাজনৈতিক মঞ্চত উদয় হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি দলৰ প্ৰতীক গডছেৰ সেই

কালিৰে পৰা অসম প্ৰদেশ কংগ্ৰেছে তীব্ৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। দুদিন ধৰি উত্তৰ অসম আৰু উজনি অসমত বাহৰ পাতি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই উত্তৰ অসম আৰু উজনি অসমত প্ৰচাৰ চলাই গৈছে। আজি দিনজোৰা কাৰ্যসূচীৰে বিশ্বনাথ জিলাত ভূপেন বৰাই নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ প্ৰাৰ্থীসকলৰ হকে ৰাইজক ভোট দিবলৈ আহ্বান জনায় ভূপেন বৰাই। নাথুৰাম গডছেৰ বন্দুকটো বিজেপিয়ে দলীয় চিহ্ন হিচাপে ব্যৱহাৰ কৰিব লাগে। বিজেপি দলে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিব পৰা নাই বুলি দাবী কৰি বৰাই কয় যে আজিকালি মহিলা ঘৰত নাথাকে। কিছুদিন আগতে হিমন্ত বিশ্ব শৰ্মাই অমৃত বৃক্ষ ৰোপণ কৰিবলৈ দি মহিলাক লাখপতি বাইদেউ কৰিম বুলি কৈছিল। সন্মুখত বহি থকা মহিলাসকলক কোন লাখপতি বাইদেউ হৈছে বুলি প্ৰশ্ন কৰি হাত দাঙিবলৈ কয় বৰাই। কিন্তু এগৰাকী মহিলায়ো হাত নাদাঙিলে। যেতিয়া মুখ্যমন্ত্ৰীয়ে সকলো মহিলাক লাখপতি বাইদেউ বনাই দিম বুলি ক'লে তেতিয়া আমি ভয় খাই গ'লো। তেতিয়া আমি ভাবিছিলো সকলো মহিলাই যদি লাখপতি হৈ যায় আমাৰ মিটিঙত মানুহ ক'ত আহিব। গোলাঘাটত এখন সভাত এগৰাকী মহিলাই সুধিলে মামা পইছা কেতিয়া পাম? তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল আপোনালোকে চিন্তা নকৰিব। আপোনালোকে পাছবুক খুলি থ'ব। মোবাইলত শব্দ ওলাব আৰু পইছা সোমাই যাব। তেতিয়া অমৃত বৃক্ষ ৰোপণ কৰা বহু মহিলাই ৰাতি মোবাইল বন্ধ নকৰি গাৰুৰ তলত থৈ দিয়ে। এদিন বিশ্বনাথত ৰাতি এগৰাকী মহিলাৰ মোবাইলত মেছেজ আহিল। ৰাতি লাইট জ্বলাই দেখিলে যে ৬০ টকা কটা গৈছে। এবছৰ আগতে খোলা বেংক একাউণ্টৰ বাবে মেইনটেনেন্সৰ বাবে ৬০ টকা কাটি লৈ গ'ল। যেতিয়া হিমন্ত বিশ্ব শৰ্মাই এইফালে প্ৰচাৰৰ বাবে আহিব তেতিয়া অমৃতবৃক্ষ ৰোপণ কৰা মহিলাই সুধিব লাগে যে আমি পাছবুক খুলিলো, কিন্তু এক লাখ টকা কিয় নোসোমাল। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজিত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়তে কংগ্ৰেছৰ হাতৰ চিনৰ সলনি লুঙী প্ৰতীক কৰিবলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ সেই কটুক্তিৰ উত্তৰ দি মহাত্মা গান্ধীক হত্যা কৰা নাথুৰাম গডছেৰ বন্দুটোক বিজেপিৰ প্ৰতীক কৰিবলৈ আহ্বান জনায় ভূপেন কুমাৰ বৰাই। ইপিনে অসমৰ মুখ্যমন্ত্ৰীৰ চকীখনত 'ভাৰতৰত্ন' গোপীনাথ বৰদলৈ বহিছিল বুলি মুখ্যমন্ত্ৰীক মনত পেলাই দি কয় যে কল্পনা কৰক গোপীনাথ বৰদলৈৰ মুখত তেনে কথা ওলালহেঁতেননে বুলি প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰী শৰ্মাৰ ৰাজনৈতিক শিপাৰ কথা সোঁৱৰাই দি কংগ্ৰেছেই তেওঁক ৰাজনীতিৰ বিষয়ে সকলো শিকাইছিল। তেওঁ কংগ্ৰেছৰ টিকটত জালুকবাৰীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল, জয়ী হৈছিল আৰু তিনিবাৰ মন্ত্ৰী হিচাপে শপত লৈছিল। তেওঁৰ কেৰিয়াৰ গঢ়ি তোলা দলটোক বদনাম কৰিছে। বৰাই মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি বিজেপিৰ চিহ্ন সলনি কৰিবলৈ আহ্বান জনাই কয় যে বিজেপিয়ে পদুমৰ চিহ্নৰ সলনি নাথুৰাম গডছেয়ে মহাত্মা গান্ধীক হত্যা কৰিবলৈ ব্যৱহাৰ কৰা বন্দুকটো প্ৰতীক কৰক। বৰাই আৰু কয় যে কৃষকসকলক ঋণ ৰেহাই আৰু ৰাজসাহায্যযুক্ত এলপিজি চিলিণ্ডাৰৰ প্ৰতিশ্ৰুতি দি তেলেংগানাত কংগ্ৰেছ ক্ষমতালৈ আহে। তেলেংগানা আৰু কৰ্ণাটকলৈ চাওক- কংগ্ৰেছশাসিত ৰাজ্য য'ত দৰিদ্ৰ আৰু কৃষকসকলৰ ভাল হৈছে। আমি অসমত একে কাম কৰিম। ৰাহুল গান্ধীয়ে ভাৰত জোড়ো যাত্ৰাৰ সময়ত দিয়া প্ৰতিশ্ৰুতিকে ধৰি কংগ্ৰেছৰ সকলো প্ৰতিশ্ৰুতি অসমত বিশ্বস্ততাৰে ৰূপায়ণ কৰা হ'ব বুলিও দৃঢ়তাৰে মত পোষণ কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## একপক্ষীয় ক্ষমতা

এই ধৰাৰ অধিকাংশ লোকে জ্যোতিষত বিশ্বাস কৰে। এক নগন্যসংখ্যক লোকে জ্যোতিষ বা মানৱ জীৱনত গ্ৰহৰ স্থিতি বিশ্বাস নকৰিব পাৰে কিন্তু ভাৰতীয়ই হওক বা আমেৰিকানবাসীয়েই হওক বা ইউৰোপবাসী, সকলোৱে নিজ নিজ ধৰণৰ জ্যোতিষ শাস্ত্ৰত বিশ্বাস কৰে আৰু তেনেকৈ বিধি বিধান লয়। আমাৰ বিষয় আজি জ্যোতিষ নহয় কিন্তু জ্যোতিষৰ প্ৰভাৱত বা বিশ্বাসত ভাল দিন চলি থকা এটা ৰাজনৈতিক দলৰ কিছু কথা আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। সেই দলটো হৈছে বৰ্তমানৰ বিশ্বৰ অন্যতম ধনী আৰু জনমত থকা ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টী। স্বাধীনতাৰ পাছত দেশৰ ৰাজনীতিত কেইবা দশক দপদপাই থকা কংগ্ৰেছ দলটোৰ সদৃশ এতিয়া বিজেপি দলটোৰ অৱস্থা, সেয়েহে সমগ্ৰ দেশক কংগ্ৰেছমুক্ত কৰি বিজেপি দলটোৱে কেইটামান দশক দপদপাই থাকিব বিচাৰিছে। এই দিশত জ্যোতিষে তেওঁলোকক সহায় কৰি যাব বুলিও দলটোৰ নেতৃত্ব আশাবাদী। এনেকৈ দপদপনি চলা ৰাজনৈতিক দলত ক্ষমতাকেন্দ্ৰিক যুঁজ নতুন কথা নহয়। কংগ্ৰেছক যিদৰে ক্ষমতাকেন্দ্ৰিক সংঘাতে নিঃশেষ কৰি আনিছে ঠিক তেনেদৰে ঠন ধৰি উঠা বিজেপি দলত আমি এতিয়া কেতবোৰ বাতৰি নিতৌ লাভ কৰোঁ, যিবোৰে ক্ষমতা কেন্দ্ৰিক যুঁজৰ ইংগিত দিয়ে। একপক্ষীয় ক্ষমতাৰ অধিকাৰী বিজেপি দলটোৱে এতিয়া একো একোটা নিৰ্বাচন হস্তগত কৰি ল'ব পাৰে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰেক্ষাপটত কংগ্ৰেছ দলৰ প্ৰাৰ্থীক কিনি পেলোৱা, প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰোঁৱা, আৰক্ষীৰ জৰিয়তে হাৰাশাস্তি দিয়া একাধিক অভিযোগ কংগ্ৰেছ দলটোৱে শক্তিশালী দল বিজেপিৰ বিৰুদ্ধে আনিছে। পোনপটীয়াকৈ এনে অভিযোগৰ কোনো সত্যতা নাই কিন্তু নিৰ্বাচনৰ পূৰ্বেই একপক্ষীয়ভাৱে বিজেপিৰ প্ৰাৰ্থীবোৰে বিজয় সুনিশ্চিত কৰা কথাবোৰে অন্য এক ইংগিত বহন কৰিছে। সেয়া বাৰু যিয়েই নহওক, ক্ষমতা যেতিয়া একপক্ষীয় হয় তেতিয়া কথাবোৰো সুকীয়া হৈ পৰে। দুদিনমান পূৰ্বৰ নলবাৰী জিলাৰ এটা বাতৰি সকলোৱে শুনিছে বা দেখিছে। বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কেমেৰাৰ সন্মুখতে দলীয় সতীৰ্থৰ ওপৰত খঙত অগ্নিশৰ্মা হৈ "ইয়াক ছাইড কৰ" বুলি ধমক দিয়া কাৰ্য্য আৰু দলত গুৰুত্ব কেন্দ্ৰিক কথাবোৰে একপক্ষীয় ক্ষমতাত সৰ্বোচ্চ ক্ষমতাৰ বাবে ব্যক্তিত্বৰ হেতাওপৰাৰ বিষয়টো চৰ্চালৈ আনিছে। ইতিহাস পঢ়া মানুহে বুজে একপক্ষীয় ক্ষমতাৰ জোৰ কিমান আৰু একপক্ষীয় ক্ষমতাৰ দুৰ্বলতা কিমান? বাকী বিচাৰ আপোনালোকৰ!

## লেখা আহ্বান

'ই-সংবাদ'ৰ সম্পাদকীয় পৃষ্ঠাৰ বাবে লেখা আহ্বান কৰা হৈছে। লেখাসমূহ ৫৫০টা শব্দৰ ভিতৰত আৰু বস্তুনিষ্ঠ হোৱাতো বাঞ্চনীয়। লেখাসমূহ newsnextne@gmailলৈ মেইলযোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ইউনিকোডত টাইপ কৰি প্ৰেৰণ কৰিব লাগিব। প্ৰকাশ হোৱা-নোহোৱাতো সম্পূৰ্ণৰূপে সম্পাদনা মণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়ে কেতিয়া প্ৰকাশ পাব সেয়া আগতীয়াকৈ জনোৱাতো মুঠেই সম্ভৱ নহয়।

# চাহ জনগোষ্ঠীৰ শিক্ষাৰ সমস্যাৰাজিৰ সমাধান হ'বনে?

■ **লক্ষীৰাম কুৰ্মী**

**অসমৰ আদিবাসী** চাহ জনগোষ্ঠীৰ শিক্ষাৰ অৱস্থা আজিও চিন্তনীয়। বিশেষকৈ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মাধ্যমিক শিক্ষাত অংশগ্ৰহণ আৰু উত্তীৰ্ণৰ হাৰ কমি যোৱা দেখা গৈছে। এই সমস্যাটো কেৱল এটা পৰিসংখ্যাৰ বিষয় নহয়, বৰঞ্চ ই হৈছে জীৱন্ত বাস্তৱ যিয়ে সমাজৰ সকলো স্তৰৰ মানুহক ভাবিবলৈ বাধ্য কৰিছে।

ভাৰতবৰ্ষৰ লগতে অসমতো নতুন শিক্ষা নীতিৰ আধাৰত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন আহিছে। এইবাৰ অসমত ৬৩.৯৮ শতাংশ উত্তীৰ্ণ হৈছে। আনহাতে সম্প্ৰদায় হিচাপে চাহ জনগোষ্ঠীৰ (TG) উত্তীৰ্ণ হাৰ ৫১.৫৯%। অসমৰ সকলো জনগোষ্ঠীতকৈ নিম্ন। বছৰে বছৰে কিয় এনেদৰে হৈ আছে ? চৰকাৰে মডেল স্কুল নিৰ্মাণ কৰিছে, ছাত্ৰ বৃত্তি দিছে, দুপৰীয়াৰ আহাৰ দিছে, ইউনিফৰ্ম দিছে, টেট উত্তীৰ্ণ শিক্ষকক নিযুক্তি দিছে, গুণোৎসৱৰ জৰিয়তে বছৰি মান নিৰ্ণয় কৰিছে তাৰ পিছতো কিয় জনগোষ্ঠীটোৰ শিক্ষাৰ মান উন্নত হোৱা নাই?

চাহ বাগিচাত কাম কৰা পৰিয়ালৰ দৰিদ্ৰতাৰ ফলত বহু ছাত্ৰ-ছাত্ৰী বিদ্যালয় এৰি দিবলৈ বাধ্য হয়। দৈনিক আয়ৰ অধিকাংশ অংশ পৰিয়ালৰ ভৰণ-পোষণত খৰচ হৈ যোৱাৰ বাবে উচ্চ শিক্ষা দূৰৰ কথা, বিদ্যালয়লৈ নিয়মিত যোৱাৰ ক্ষেত্ৰতো বহুতে হেঁচা অনুভৱ কৰে। লগতে অভিভাৱকৰ শিক্ষাৰ অভাৱ আৰু সচেতনতাৰ ঘাটত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে সম্যক জ্ঞান নাথাকিলে, সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ তেওঁলোক সদায় উৎসাহিত নহয়। কেৱল আৰ্থ-সামাজিক পৰিস্থিতিয়ে নহয়, সামাজিক আৰু মানসিক বাধাবোৰো সমান গুৰুত্বপূৰ্ণ। বিদ্যালয়ত উপযুক্ত পৰিৱেশৰ অভাৱ, শিক্ষকৰ অনুপস্থিতি আৰু গুণগত শিক্ষাৰ ঘাটিৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল ভাঙি পৰে। ফলত, বহু শিক্ষাৰ্থীয়ে শিক্ষা পথৰ পৰা আঁতৰি যায়। এই সমস্যাসমূহ সমাধান কৰিবলৈ কেৱল চৰকাৰী পদক্ষেপৰ ওপৰত নিৰ্ভৰ কৰি থকাত সীমাবদ্ধ নহ'ব। নতুন প্ৰজন্মৰ শিক্ষিত আৰু সচেতন নাগৰিকসকলে আগবঢ়ি আহি সমাজখনৰ ভিতৰৰ পৰা পৰিৱৰ্তনৰ বীজ ৰোপণ কৰিব লাগিব।

বিশেষকৈ, অভিভাৱকসকলক সচেতন কৰাৰ বাবে গাঁওসভা আৰু আলোচনা-সভাৰ আয়োজন কৰাটো সময়ৰ দাবী। বিনামূলীয়া পাঠ্যপুথি, ইউনিফৰ্ম আৰু Scholarship সুবিধা যোগান ধৰাৰ লগতে বিদ্যালয় এৰি দিয়া শিক্ষাৰ্থীসকলৰ তালিকা সংগ্ৰহ কৰি তেওঁলোকক পুনৰ বিদ্যালয়লৈ ঘূৰাই অনাটো জৰুৰী। স্থানীয় শিক্ষিত যুৱসমাজ আৰু সংগঠনৰ সক্ৰিয় সহযোগিতাৰে এই কাম সহজে সম্ভৱ। তেওঁলোকে গ্ৰামে গ্ৰামে গৈ শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰ কৰিব পাৰে আৰু ভৱিষ্যৎ প্ৰজন্মক আলোকিত পথ দেখুৱাব পাৰে। যদি আজি আমি এই দিশত গুৰুত্ব আৰোপ কৰোঁ, আগন্তুক ১০ বছৰত আদিবাসী চাহ জনগোষ্ঠীৰ শিক্ষাৰ মান উল্লেখযোগ্যভাৱে উন্নতি লাভ কৰিব।

শেষত ক'ব লাগিব, শিক্ষা মাথোঁ এখন প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল নহয়; শিক্ষা হৈছে এজন ব্যক্তিৰ, এখন সমাজৰ আৰু এটা ৰাষ্ট্ৰৰ দীঘলীয়া ভৱিষ্যৎ গঢ়ি তোলাৰ অন্যতম শক্তি। চাহ জনগোষ্ঠীৰ শিক্ষাৰ সংকট গভীৰ হ'লেও, ই সমাধানহীন নহয় — দল-সংগঠন, চৰকাৰ আৰু ব্যক্তিগত প্ৰচেষ্টাৰ মিলিত উদ্যোগেই এই সমস্যাৰ স্থায়ী সমাধান আনিব পাৰে।

**(লেখকৰ ঠিকনাঃ শাওতলী, গোলাঘাট)**

# কপৌ ফুলৰ ৰঙেও কয় বহু কথা

■ **জিতুল খনিকৰ**

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ এটি বিশেষ প্ৰতীক হ'ল কপৌফুল। ইয়াৰ মনোমোহা ৰূপ, কোমলতা আৰু ৰঙৰ বৈচিত্ৰ্যে কেৱল দৃষ্টিৰ সৌন্দৰ্য বঢ়ায় নে, ই প্ৰকৃতিৰ ছয় ঋতুৰ সৈতে এটি অন্তৰংগ সংযোগ স্থাপন কৰে। "কপৌফুল ছয়টাৰ ৰঙে ছয়টাৰ ঋতুক বুজাই"— এই উক্তিটোৰ গভীৰতাত লুকাই আছে, প্ৰকৃতি আৰু মানৱ অনুভৱৰ এটি মিহলি সংগীত।

১. বসন্ত ঋতুত গাঢ় হালধীয়া ৰংঃ বসন্ত মানেই উল্লাস, নৱজীৱনৰ উন্মেষ। কপৌফুলৰ গাঢ় হালধীয়া ৰঙেৰে বসন্তৰ দীপ্তিময়, সজীৱ আৰু চঞ্চল পৰিৱেশ প্ৰতিফলিত হয়। কপৌফুলৰ এই কমনীয়তাত চঞ্চলতাৰে ভৰা যোল্লবছৰীয়া সুৰভি গভৰুৰ দৰেই জিলিকি উঠে। দহোৰ বন কাটি হ'লেও পাহাৰ বগাই বগাই চেনাইয়ে কপৌফুল আনি চেনেহীৰ খোপাত আলফুলে কপৌফুল গুজি দিয়ে। এইয়া চহা জীৱনৰ নিৰ্ভেজাল প্ৰেমৰ এক অপৰূপ প্ৰতীক।

২. গ্ৰীষ্ম ঋতুত ৰক্তিম ৰংঃ গ্ৰীষ্মত সূৰ্যৰ তীব্ৰ তাপত মাটি শুকাই যায়, সেউজীয়াবোৰ অলপ অলপকৈ হ্ৰাস পায়। কপৌফুলৰ ৰক্তিম ৰঙে গ্ৰীষ্মৰ উষ্ণতা, প্ৰখৰতা আৰু অন্তৰজগতৰ ইচ্ছা-কামনাৰ প্ৰতিচ্ছবি বহন কৰে। এই ৰঙ যেন আকাংক্ষা আৰু বিৰহৰ অনুভৱেৰে ভৰা।

৩. বৰ্ষা ঋতুত নীলা ৰংঃ বৰষুণ নামি আহে ধৰালৈ, আকাশত গাঢ় নীলা মেঘে আৱৰি ধৰে। কপৌফুলৰ নীলা ৰঙে বৰ্ষাৰ গভীৰতা, ভাৱ বিলাস আৰু অন্তৰস্পৰ্শী সংগীতৰ ধ্বনি কাণে-কাণে বাজে। ই যেন অলেখ কবিতাৰ জন্মদাতা ঋতু।

৪. শৰত ঋতুত ধূসৰ-শুভ্ৰ ৰংঃ শৰতত কুঁৱলীৰ ছাঁ, শেৱালীৰ সুবাস আৰু স্নিগ্ধ পোহৰে আলফুলে পৰিৱেশ ভৰাই তোলে। কপৌফুলৰ ধূসৰ-শুভ্ৰ ৰং সেই স্নিগ্ধতা আৰু নিৰ্মলতাৰ দ্যোতক। যেন আত্মাৰ উজ্জ্বলতা মুকলি আকাশলৈ উৰিছে।

৫. হেমন্ত ঋতুত গাঢ় কমলা ৰংঃ হেমন্তত পথাৰত সোনালী ধান জিলিকি উঠে,সোনালী আভাৰে জ্যোতিস্মান হৈ পৰে। কপৌফুলৰ গাঢ় কমলা আভা যেন হেমন্তৰ পৰিপক্কতা আৰু সজীৱ স্থিতিৰ এক জ্যোতিস্মান প্ৰতিচ্ছবি। ই সূৰ্যৰ কোমল উমাল স্পৰ্শ যেন লাগে।

৬. শীত ঋতুত শুভ্ৰ বগা ৰংঃ শীতত পৃথিৱী যেন নীৰৱ হৈ পৰে। পাতল ধোঁৱাত আবৃত প্ৰকৃতি, ঠাণ্ডা বতাহৰ লহৰ। কপৌফুলৰ শুভ্ৰ বগা ৰঙে এই নিস্তব্ধতা, শীতলতা আৰু অন্তৰ্মুখী ধ্যান-চিন্তনৰ প্ৰতিফলন কৰে। শীত যেন আত্মবিশ্লেষণৰ সময়, অন্তৰৰ গভীৰতাৰ স্পৰ্শ।

সাহিত্যিক দৃষ্টিৰে কপৌ ফুলৰ ৰং বিশ্লেষণ কৰিলে, ই কেৱল ৰূপ-ৰঙৰ খেল নহয়, ই হ'ল অনুভৱ, মনোভাৱ আৰু জীৱনৰ এক মূৰ্ত প্ৰতিবিম্ব। কপৌফুল যেন ঋতুচক্ৰৰ এক দৃশ্যমান কবিতা — যাৰ ৰঙেৰে প্ৰকৃতিয়ে নিজৰ কথা কয়।

# বৰপেটা জিলাৰ মন্দিয়া আৰু পাকাবেতবাৰীত ব্যাপক নিৰ্বাচনী তৎপৰতা

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২১ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বৰপেটা জিলাৰ মন্দিয়া আৰু পাকাবেতবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত বেকী-জনীয়া-কলগাছিয়া-বৰভিটা জিলা পৰিষদৰ উপৰি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ কোকিলা জিলা পৰিষদ সমষ্টিতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। মনোনয়ন-পত্ৰ দাখিল কৰাৰ পিছৰেপৰাই জিলা পৰিষদ সমষ্টিৰ সৰ্বসাধাৰণ ভোটাৰৰ মন জয় কৰাৰ বাবে কংগ্ৰেছ, ইউ ডি এফ, বিজেপি, অগপ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ৰণকৌশল প্ৰস্তুত কৰি পঞ্চায়তে পঞ্চায়তে সভা আয়োজন কৰি ভোটাৰৰ মন আকৰ্ষিত কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। কোন সমষ্টিত কাৰ কাৰ মাজত যুঁজ হ'ব এই সন্দৰ্ভত বিভিন্নজনৰ মাজত আলোচনা-বিলোচনা আৰম্ভ হৈছে। এইক্ষেত্ৰত ৭ নং বেঁকী জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ মঞ্জুৱাৰা খাতুন আৰু এ আই ইউ ডি এফৰ শিলিনা খন্দকাৰৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণসম্ভাৱনা আছে। কলগাছিয়া জিলা পৰিষদত এ আই ইউ ডি এফৰ খন্দকাৰ জাকিৰ হুছেইন আৰু কংগ্ৰেছৰ মইনুল হকৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব বুলি সচেতন মহলত চৰ্চা আৰম্ভ হৈছে। ইপিনে বৰভিটা জিলা পৰিষদত কংগ্ৰেছৰ আবুল কালাম আজাদ আৰু এ আই ইউ এফৰ ছুফিয়া খাতুনৰ মাজত তুমুল যুঁজ হোৱাৰ সম্ভাৱনা আছে। এইক্ষেত্ৰত জনিয়া জিলা পৰিষদতো কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ কৰ্মী পাৰবিনৰ মাজত যুঁজ হোৱাৰ ইংগিত বহন কৰিছে। সত্ৰকণৰা জিলা পৰিষদত এ আই ইউ ডি এফৰ ইন্দ্ৰিৰা খাতুন আৰু কংগ্ৰেছৰ উপাতন খাতুনৰ মাজত তীব্ৰ যুঁজ হ'ব বুলি ধাৰণা কৰা হৈছে। ইপিনে, বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত কোকিলা জিলা পৰিষদতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। সমষ্টিটোত কংগ্ৰেছৰ চেকেণ্ডাৰ প্ৰদানী আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰমেজ উদ্দিনৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা হ'ব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য বিগত লোকসভা নিৰ্বাচনত একেবাৰে দুৰ্বল হৈ পৰা বদৰুদ্দিন আজমল নেতৃত্বাধীন এ আই ইউ ডি এফ সমাগত পঞ্চায়ত নিৰ্বাচনত হঠাৎ দলৰ ভেঁটি উত্থান হোৱাত কংগ্ৰেছ শিবিৰ শংকিত হৈ পৰিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰাৰ পিছৰেপৰাই উল্লেখিত জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ সমানে সমানে এ আই ইউ ডি এফ আগবাঢ়ি যোৱা দেখা গৈছে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে ক্ষুব্ধ ভোটাৰসকলে এইবেলি পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছবিৰোধী শিবিৰত ভোট প্ৰদান কৰাৰ সম্ভাৱনা আছে। ইফালে, টিকট বিতৰণৰ ক্ষেত্ৰতো কংগ্ৰেছত দেখা দিয়া খেলিমেলিৰ বাবেও এ আই ইউ ডি এফৰ পক্ষে নিৰ্বাচনী বতাহ বলাৰ সম্ভাৱনা আছে। মুঠতে বৰপেটা আৰু ধুবুৰী জিলাত এ আই ইউ ডি এফৰ সাংগঠনিক ভেঁটি উত্থান হোৱাৰ ইংগিত বহন কৰিছে। ইফালে, বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত কোকিলা জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ বিৰুদ্ধে কংগ্ৰেছৰ যুঁজ আৰম্ভ হৈছে। চেকেণ্ডাৰ প্ৰদানীয়ে কংগ্ৰেছৰপৰা মনোনয়ন-পত্ৰ দাখিল কৰিছে যদিও ৰমেজ উদ্দিন নামৰ এগৰাকী ক্ষুব্ধ কংগ্ৰেছীয়ে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন-পত্ৰ দাখিল কৰাৰ লগে লগে কংগ্ৰেছ শিবিৰত হাহাকাৰৰ সৃষ্টি হৈছে। সমষ্টিটোত এ আই ইউ ডি এফ আৰু অগপৰ দলীয় প্ৰাৰ্থী নথকাৰ বাবে নিৰ্দলীয় প্ৰাৰ্থীৰ পক্ষত দুয়োটা দলে সমৰ্থন আগবঢ়াব পাৰে বুলি জানিব পৰা গৈছে। এইক্ষেত্ৰত কোকিলা জিলা পৰিষদ সমষ্টিত কোনে শেষ হাঁহি মাৰিব এইমমুহূৰ্তলৈ কোৱাটো জটিল যদিও কংগ্ৰেছ শিবিৰ চিন্তিত হৈ পৰিছে। এইক্ষেত্ৰত জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলামে সাংবাদিকক কয় যে সমাগত পঞ্চায়ত নিৰ্বাচনত এ আই ইউ ডি এফৰ পক্ষে ৰাইজে ভোট প্ৰদান কৰিব। কংগ্ৰেছৰ দুমুখীয়া নীতি ৰাইজে ভালদৰে বুজি পাইছে। হিন্দু এলেকাত কংগ্ৰেছ শূন্য হৈছে। কেৱল মছুলমান এলেকাত কংগ্ৰেছে প্ৰচাৰ কৰি আছে। সেইকাৰণে ৰাইজে এই সকলো কথা বুজি উঠিছে। সমাগত পঞ্চায়ত নিৰ্বাচনত মছুলমান অঞ্চলৰপৰা কংগ্ৰেছ একেবাৰে ধূলিস্যাৎ হোৱাটো নিশ্চিত হৈছে।

# ছপা মাধ্যমৰ সাংবাদিকৰ দ্বাৰা নগাঁও প্ৰিণ্ট মিডিয়া গঠন

**ই-সংবাদ, পুৰণিগুদাম, ২১ এপ্ৰিলঃ** নগাঁও সদৰস্থ ছপা মাধ্যমৰ সাংবাদিকসকলক একত্ৰিত কৰাৰ উদ্দেশ্যৰে আৰু শেহতীয়াকৈ ছপা মাধ্যমৰ প্ৰতি অহা বিভিন্নধৰণৰ জটিলতাক প্ৰতিহত কৰাৰ বাবে ছপা মাধ্যমৰ সাংবাদিকসকল একত্ৰিত হৈ আজি এখন সাধাৰণ সভা অনুষ্ঠিত কৰে। নগাঁও চহৰৰ নেহৰু যুৱক কেন্দ্ৰৰ সভাগৃহত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী, নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি শৈলেন শইকীয়া, জ্যেষ্ঠ সাংবাদিক হেমেন কুমাৰ দাস, অজয় মাহাতু, অসীম কুমাৰ ভাৰাল, মুৰুলী বৰুৱা, ছফিকুৰ ৰহমান, হৰেশ্বৰ বৰা, ভাস্কৰজ্যোতি মেধি আদিয়ে ছপা মাধ্যমৰ সাংবাদিকসকল সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু ইয়াৰ পৰা মুক্ত হোৱা উপায়ৰ ওপৰত বক্তব্য প্ৰদান কৰে। নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি যাদৱ শইকীয়া, প্ৰাক্তন সাধাৰণ সম্পাদক পলাশ প্ৰতীম হাজৰিকা, ফাইজুৰ ৰহমান, মিজু বৰা, সুনীল ৰায়কে প্ৰমুখ্যে কৰি নগাঁও সদৰস্থ ছপা মাধ্যমৰ প্ৰায় সকলো সাংবাদিক উপস্থিত থকা সভাখনতে



নগাঁও প্ৰিণ্ট মিডিয়া নামৰ এক সাংবাদিক সংগঠন গঠন কৰি এখন তদৰ্থ কমিটি গঠনৰ প্ৰস্তাৱ লোৱা হয়। সেই অনুসৰি জ্যেষ্ঠ সাংবাদিক যাদৱ শইকীয়া, শৈলেন শইকীয়া, অসীম ভাৰাল, গুৰমাইল সিং, জীতেন বৰকটকী, পলাশপ্ৰতীম হাজৰিকা, অজিত মহেশ্বৰী, বৈদ্যনাথ শ্বাহানী, ছফিকুৰ ৰহমান আৰু ফাইজুৰ ৰহমানক উপদেষ্টা, কনক হাজৰিকাক সভাপতি, হেমেন কুমাৰ দাসক কাৰ্যকৰী সভাপতি, মুৰুলী বৰুৱা, অজয় মাহাতু, হৰেশ্বৰ বৰা আৰু বিৰিঞ্চি ডেকাক উপ-সভাপতি, চন্দনজ্যোতি বৰা আৰু নাজিম উদ্দিন আহমেদক যুটীয়া সম্পাদক, ভাস্কৰজ্যোতি মেধি আৰু ভাস্কৰজ্যোতি শইকীয়াক সহকাৰী সম্পাদক, ৰাজজ্যোতি দাস আৰু সুৰজ কুমাৰ বৰাক প্ৰচাৰ সম্পাদক, জে পি সিং, মিজু বৰা আৰু ৰাহিদুজ জামানক সাংগঠনিক সম্পাদক, মিন্টু দাস, মহিবুল্লাহ, গোপাল ৰয়, প্ৰসেনজিৎ মণ্ডল, সুনীল ৰায়, মাধুৰ্য ডেকাক সদস্য হিচাপে লৈ তদৰ্থ সমিতিখন গঠন কৰা হয়।

# হোজাইত তিনিদিনীয়া কাৰ্যসূচীৰে দ্বি-ভাষিক নাট সমাৰোহৰ সফল সামৰণি

**ই-সংবাদ, মোৰাঝাৰ, ২১ এপ্ৰিলঃ** অসম নাট্য সন্মিলনৰ হোজাই সদৰ শাখাৰ উদ্যোগত হোজাইৰ নতুন বজাৰস্থিত সাহিত্যৰথী বেজবৰুৱা ভৱনত আয়োজিত প্ৰথম বাৰ্ষিক 'হোজাই দ্বি-ভাষিক নাট সমাৰোহ'ৰ সফল সামৰণি পৰে। ১৮, ১৯ আৰু ২০ এপ্ৰিলত এই সমাৰোহ অনুষ্ঠিত হৈছিল। প্ৰথম নিশা স্থানীয় শিল্পীসকলে মুনীন ভূঞাৰ হাতী আৰু ফান্দী নাটক মঞ্চস্থ কৰে। মাণিক আহমেদ পৰিচালিত এই নাটকখনত অনুপ কুমাৰ বৰঠাকুৰ, পদ্মকান্ত বৰা, জ্যোতিপ্ৰসাদ গগৈ, জিতু শৰ্মা, বিমল নাথ, মৃণাল শৰ্মা, অমিতাভ ৰাজখোৱা, মুখ্য নাৰী চৰিত্ৰত দেৱযানী পাতৰসহ অন্যান্য শিল্পীসকলে অভিনয় কৰে। এই নাটকখনৰ আগতে মঞ্চ উদ্বোধনী অনুষ্ঠানত অসমৰ প্ৰথিতযশা অভিনেতা প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠক শইকীয়া, দুলাল ৰয়সহ অসম নাট্য সন্মিলনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। এই উদ্বোধনী অনুষ্ঠানত হোজাইৰ প্ৰবীণ নাট্য শিল্পী অমল বৰা সোঁৱৰণী ৰাজিক বঁটা প্ৰথমবাৰৰ বাবে নাট্যকৰ্মী, পৰিচালক মাণিক আহমেদক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে ভৱেশ দত্তবৰুৱা সম্পাদিত মঞ্চকথা নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। সেইদিনা পুৱা অসম নাট্য সন্মিলনৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। দ্বিতীয় দিনা দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাট কাৰেঙৰ লিগিৰীৰ সফল মঞ্চায়ন কৰে। মূল নাট পৰিবেশন কৰাৰ আগে আগে উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে কাৰেঙৰ লিগিৰী নাটখন নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰিবলৈ লোৱা প্ৰচেষ্টাৰ বাবে দিশপুৰ মহাবিদ্যালয় আৰু হোজাই নাট সমাৰোহৰ আয়োজক সমিতিক ভূয়সী প্ৰশংসা কৰে। অসমৰ নাট্য আন্দোলনটোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় কৰি তোলাত দিশপুৰ মহাবিদ্যালয়ৰ লগতে উদ্যোক্তাসকলৰ প্ৰচেষ্টা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আঁকোৱালি লোৱাৰ বাবে তেওঁ আহ্বান জনায়। বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কাৰেঙৰ লিগিৰী নাটখনৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত অসমীয়া কৃষ্টি-সংস্কৃতি আৰু বুৰঞ্জী অবিকৃত আৰু আৰু প্ৰোজ্জ্বল ৰূপত অভিনয়, নৃত্য-কলাৰ মাজেৰে প্ৰতিষ্ঠা কৰিবলৈ দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিয়ে প্ৰয়াস কৰি আহিছে। ইতিমধ্যে নাটখনৰ দুটাকৈ প্ৰদৰ্শনী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হৈ গৈছে আৰু হোজাইত এয়া তৃতীয় দৰ্শনী। আয়োজক সমিতিৰ সভাপতি অনুপ কুমাৰ বৰঠাকুৰে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত অসম নাট্য সন্মিলনৰ সহকাৰী সম্পাদক সুৰজ শইকীয়া আৰু দিশপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মাই হোজাই অঞ্চলৰ প্ৰবীণ অভিনেতা তথা পৰিচালক হেম বৰুৱা, নৰেন বৰা, বীণা বৰকটকী, গুৰু প্ৰসাদ বৰঠাকুৰ আৰু ৰতন কলিতাক সম্বৰ্ধনা জনায়। লগতে নাট সমাৰোহ আয়োজক সমিতিৰ তৰফৰ পৰা নাট্য শিল্পী বুবুল বৰা সোঁৱৰণী বঁটা বিশিষ্ট অভিনেত্ৰী মামণি কৌৰক প্ৰদান কৰা হয়। নাটখনৰ সফল মঞ্চায়নৰ অন্তত অভিনয় শিল্পী, কলা-কুশলীসকলক এখনকৈ মানপত্ৰ আৰু এটাকৈ স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তৃতীয় দিনা তেজপুৰৰ বাণ মঞ্চৰ দ্বাৰা পদ্মনাথ গোহাঞিবৰুৱাৰ টেটোন তামুলী আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠী ছিন্নমূল নামৰ দুখন নাটক মঞ্চস্থৰে তিনিদিনীয়া অনুষ্ঠানৰ সামৰণি মাৰে।

# ৰাইডঙীয়াত ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্ম-জয়ন্তীৰ আয়োজন

## বাপুৰাম দাসলৈ আম্বেদকাৰ বঁটা, আইমী বৰুৱালৈ সতী ৰাধিকা বঁটা

**ই-সংবাদ, বেৰেজীয়া, ২১ এপ্ৰিলঃ** নগাঁও জিলাৰ ৰাইডঙীয়াত ২৫ এপ্ৰিলত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত তথা পৰিষদৰ নগাঁও জিলা সমিতি আৰু ৰাইডঙীয়াবাসীৰ সহযোগত সংবিধান প্ৰণেতা, দাৰ্শনিক বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্ম-জয়ন্তী আৰু মুকলি বিহু উদযাপনৰ দিহা কৰা হৈছে। ৰাইডঙীয়াৰ ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৱা কাৰ্যক্ৰমণিকাৰে আয়োজিত উক্ত জন্ম-জয়ন্তী আৰু মুকলি বিহু সুচাৰুৰূপে চলাই নিয়াৰ অৰ্থে ইতিমধ্যে প্ৰমোদ কুমাৰ দাসক সভাপতি, জগতজ্যোতি দাসক কাৰ্যকৰী সভাপতি, পাপুমণি দাসক সাধাৰণ সম্পাদক আৰু দীপক দাসক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠনেৰে প্ৰস্তুতি চলাই থকা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৮ বজাত পতাকা উত্তোলন, ৯ বজাত স্বচ্ছতা অভিযান আৰু ৯.৩০ বজাত ভীমৰাও ৰামজী আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ অন্তত ১১ বজাৰ পৰা এখন মনোজ্ঞ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। 'অনুসূচিত জাতিৰ প্ৰতি বৈষম্য আৰু আম্বেদকাৰৰ চিন্তা' শীৰ্ষক বিষয়ত অনুষ্ঠিত হ'বলগীয়া আলোচনা-চক্ৰখনত কেইবাজনো আগশাৰীৰ বক্তা আলোচক হিচাপে উপস্থিত থাকিব । বিয়লি ৩ বজাৰ পৰা মুকলি বিহু আৰু নিশালৈ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ গীত-মাত-নৃত্যৰে উজলি উঠিবলগীয়া সাংস্কৃতিক সন্ধিয়াত টেলিভিছনৰ 'বিয়লিৰ বৃন্দাবন' নামৰ ধাৰাবাহিকখনৰ জনপ্ৰিয় চৰিত্ৰ 'নন্দু-চন্দু' খ্যাত অভিনেতা ঋতুৰাজ-নিৰুপমে হাস্যমধুৰ অনুষ্ঠানৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী মনোজ দুৱৰাই গীতৰ শৰাই আগবঢ়াব। ইফালে, উক্ত জন্ম-জয়ন্তী আৰু মুকলি বিহু অনুষ্ঠানতে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ ফালৰ পৰা ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত কেপ্টেইন বাপুৰাম দাসক 'আম্বেদকাৰ বঁটা' আৰু ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱাক 'আই সতী ৰাধিকা বঁটা' প্ৰদান কৰা হ'ব বুলি অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ, অসমৰ সভাপতি সঞ্জীৱ দাসে জানিবলৈ দিছে।

# অগ্নিবীৰত নিযুক্তিৰ বাবে সময়সীমা ২৫ এপ্ৰিললৈ বৃদ্ধি

**ই-সংবাদ, লাহৰীঘাট, ২১ এপ্ৰিলঃ** ভাৰতীয় সেনাবাহিনীয়ে মধ্য অসমৰ চাৰিখন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৱৰ অবিবাহিত পুৰুষ প্ৰাৰ্থীৰপৰা অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াৰ বাবে অনলাইন পঞ্জীয়নৰ সময়সীমা ২৫ এপ্ৰিললৈ বৃদ্ধি কৰিছে। ১২ মাৰ্চৰপৰা আৰম্ভ হোৱা অনলাইন পঞ্জীয়ন অহা ২৫ এপ্ৰিললৈকে অব্যাহত থাকিব। যোগ্যতাসম্পন্ন ইচ্ছুক প্ৰাৰ্থীয়ে ভাৰতীয় সেনাবাহিনীৰ অফিচিয়েল ৱেবছাইট www.joinindianarmy.nic.in ৰ যোগেদি আবেদন কৰিব পাৰিব। অধিক জানিবলৈ ই-মেইল আই ডি rohgshillong@gmail.com আৰু ফোন নম্বৰ ০৩৬৪-২৫০৪১৭৭ৰ জৰিয়তে নিযুক্তি কাৰ্যালয় (মুখ্য কাৰ্যালয়) শিলঙৰ সৈতে যোগাযোগ কৰিব পাৰিব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# সৰুপথাৰত ছেৰাগুৰিত আয়োজিত বীৰাংগনা সতী সাধনী দিৱসৰ সফল সামৰণি

**ই-সংবাদ, সৰুপথাৰ, ২১ এপ্রিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ছেৰাগুৰিস্থিত সাধনী উদ্যানত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা ৫০১ সংখ্যক সাধনী দিৱসৰ সফল সামৰণি পৰে। পুৱা ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়াই পতাকা উত্তোলন কৰাৰ পিছতেই সতী সাধনীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰক্তিম চুতীয়াই। তাৰ পিছতেই গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে সাধনী উদ্যানত গছ পুলি ৰোপণ কৰে। চুতীয়া জাতিৰ এটা সংস্কৃতি দেওকুবেৰ শলিতা লগোৱা সকাম সৰু দেউৰী ইন্দ্ৰেশ্বৰ বৰা আৰু টংকেশ্বৰ বৰাই সম্পন্ন কৰে, য'ত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত থাকে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি সাহিত্য আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰে।



অনুষ্ঠানটোত মুকলি বিহু, চুতীয়া বিহু, ঝুমুৰ নৃত্যকে ধৰি কেইবাটাও জনগোষ্ঠীয়ে নিজ নিজ কৃষ্টি প্ৰদৰ্শন কৰে। তদুপলক্ষে ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত মুকলি সভাৰ উদ্বোধন কৰে চুতীয়া উন্নয়ন পৰিষদৰ সদস্য মাধুৰ্য শইকীয়াই। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, ধনশিৰি মহকুমা সাংবাদিক সংস্থাৰ সভাপতি মাখমুদ আলী, গোলাঘাট জিলাৰ সাংবাদিক সংস্থাৰ দ্বীপেন কুমাৰ বৰাকে প্ৰমুখ্য কৰি কেইবাজনো গণ্য-মান্য ব্যক্তি উপস্থিত আছিল। উক্ত মুকলি সভাত সৰুপথাৰ সমজিলাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক "ধনশিৰি ৰত্ন" আৰু "বীৰপাল বঁটা"ৰে সন্মান জনোৱা হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক, লোকসংস্কৃতিৰ গৱেষক তথা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাক্তন উপ-সঞ্চালক ধৰ্মেশ্বৰ দুৱৰাক "ধনশিৰি ৰত্ন বঁটা ২০২৪", কণ্ঠ শিল্পী আচুৰ্য বৰপাত্ৰগোহাঁইলৈ "ধনশিৰি ৰত্ন বঁটা ২০২৫", বৰপথাৰৰ ওজা জিতেন বিৰালৈ "বীৰপাল বঁটা ২০২৪" আৰু ভাওনা সম্ৰাট ৰত্নপ্ৰাপক শিশুৰাম শইকীয়াক "বীৰপাল বঁটা ২০২৪" প্ৰদান কৰা হয়।

# গন্ধমৌৰ সমাজকৰ্মী হেমেন চন্দ্ৰ নাথৰ আকস্মিক বিয়োগ

**ই-সংবাদ, শুৱালকুছি, ২১ এপ্রিলঃ** কামৰূপৰ বৃহত্তৰ বংশৰ অঞ্চলৰ গন্ধমৌ নাথ চুবুৰিৰ বিশিষ্ট সমাজকৰ্মী, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী কাৰ্যালয় সহায়ক হেমেন চন্দ্ৰ নাথ (৬৭) ৰ এক দুৰ্ঘটনাত আজি আকস্মিকভাৱে চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাত বৃহত্তৰ বংশৰ-গন্ধমৌ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। জানিব পৰা মতে, কালি আবেলি বংশৰৰ দিশৰ পৰা স্কুটিৰে নিজৰ বাসগৃহ অভিমুখে গৈ থকা অৱস্থাত স্কুটিৰ পৰা বাগৰি পৰাত দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোকে ততাতৈয়াকৈ শুৱালকুছি প্ৰাথমিক চিকিৎসাললৈ নিয়ে যদিও আঘাত গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। তাতে চিকিৎসাধীন অৱস্থাত আজি পুৱা ১০.৫৫ বজাত সমাজকৰ্মীজনৰ মৃত্যু হয়। তেওঁ সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সম্পাদক, সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা সমিতিৰ প্ৰাক্তন উপ-সভাপতি, উত্তৰ কামৰূপ জিলা অন্যান্য পিছপৰা জাতি পৰিষদৰ একেৰাহে ১০ বছৰৰ বাবে (বৰ্তমানেও দায়িত্বত থকা) সম্পাদক, সদৌ বংশৰ ক্ৰীড়া সন্থাৰ আজীৱন সভ্য, গন্ধমৌ নাথচুবা বৰখেল ৰাইজৰ হিচাপ পৰীক্ষক, গন্ধমৌ বিষ্ণু ৰাভা সোঁৱৰণী সংঘ আৰু পুথিভঁৰালৰ আমৃত্যু উপদেষ্টা, অসম ৰাজ্যিক প্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সমন্বয়



সমিতিৰ এগৰাকী সক্ৰিয় সদস্যৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত আছিল। এক বিশাল হৃদয়ৰ ব্যক্তি হেমেন চন্দ্ৰ নাথৰ আকস্মিক বিয়োগত বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এগৰাকী পুত্ৰ-বোৱাৰী আৰু এগৰাকী জী-জোঁৱাইৰ লগতে গুণমুগ্ধক এৰি যায়।

# চেঙাৰ বাঘমাৰাত ব্লক কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, শিমলীতোলা, ২১ এপ্রিলঃ** বৰপেটা জিলা চেঙা সমষ্টিৰ অন্তৰ্গত চেঙাৰ ৯ খন পঞ্চায়ত সামৰি কাছুমাৰা, ম'হচৰা, খোলাবান্ধা আলোপতি-মাজৰ, বাঘমাৰা চৰ, ভাতনাপাইতি, কদমতোলা, উজিৰৰ চৰ আৰু শুকুৱাৰঝাৰ ৰামাপৰা পঞ্চায়তৰ দুখন জিলা পৰিষদৰ সদস্যৰ প্ৰাৰ্থী আৰু ৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীৰ লগতে ৰাঘমাৰা চৰ বজাৰত নেতা-কৰ্মীৰ সৈতে দুয়োগৰাকী প্ৰাৰ্থীৰ উপস্থিতিত চেঙা ব্লক কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয়ৰ ফিটা কাটি উদ্বোধন কৰে কংগ্ৰেছৰ খোলাবান্ধা জিলা পৰিষদৰ সদস্য প্ৰাৰ্থী আব্দুল মান্নানে। নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি চেঙা সমষ্টিৰ কংগ্ৰেছৰ খোলাবান্ধা জিলা পৰিষদ প্ৰাৰ্থী আব্দুল মান্নান আৰু বাঘমাৰা জিলা পৰিষদৰ সদস্যা পদৰ প্ৰাৰ্থী আকলিমা খাতুনৰ লগতে চেঙা ব্লকৰ ৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীসকলে এইবাৰ চেঙা ব্লকৰ দুখন জিলা পৰিষদৰ আৰু প্ৰতিটো আঞ্চলিক কংগ্ৰেছৰ প্ৰাৰ্থীসকলক ভোটাৰ ৰাইজে বিপুল ভোটত জয়যুক্ত কৰিব বুলি আশা ব্যক্ত কৰে। চেঙা ব্লক কংগ্ৰেছৰ ব্লক সভাপতি বছিৰুদ্দিন আহমেদে কংগ্ৰেছক ভোটাৰ ৰাইজে যথেষ্ট সঁহাৰি দিছে বুলি উল্লেখ কৰি বৃহৎ ভোটৰ ব্যৱধানত কংগ্ৰেছ প্ৰাৰ্থীক জয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পশ্চিমবংগৰ মধুপুৰ ধাম সত্ৰত অসম সাহিত্য সভাৰ সেতুবন্ধ অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ২১ এপ্ৰিলঃ** সজ্জনসকলৰ সান্নিধ্যত অসম সাহিত্য সভা সমৃদ্ধ হ'ব লাগিব, সৎ চিন্তা-চৰ্চাৰে ভাষা-সাহিত্য সংস্কৃতিৰ উত্তৰণৰ বাবে সদায় কাম কৰি থকা সত্ৰানুষ্ঠানসমূহ আমাৰ সামাজিক জীৱনৰ অবিচ্ছেদ্য অংগ। এই সত্ৰানুষ্ঠানসমূহৰ সজ্জনসকলক সাহিত্য সভাৰ পৰিধিৰ ভিতৰত অন্তৰ্ভুক্ত কৰাটো অত্যন্ত প্ৰাসংগিক। এই প্ৰাসংগিক চিন্তাৰে সাহিত্য সভাক সবল-শক্তিমান কৰিবৰ বাবেই সত্ৰানুষ্ঠানসমূহত শাখা সাহিত্য সভা গঠন প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। পশ্চিমবংগৰ কোচবিহাৰস্থিত মধুপুৰ ধাম সত্ৰত অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচীৰ মন জুৰুৱা অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। ভাষণ প্ৰসংগত বৰাই লগতে কয় যে শ্ৰীশ্ৰী মধুপুৰ ধাম সত্ৰত অসম সাহিত্য সভাৰ শাখা গঠন কৰি অসম সাহিত্য সভা আজি ধন্য হৈছে। এই শাখা গঠন প্ৰক্ৰিয়াই পশ্চিমবংগ আৰু অসম তথা মধুপুৰ ধাম সত্ৰ আৰু অসম সাহিত্য সভাৰ লগত শাখাৰ যোগেদি সমন্বয়ৰ সেতুবন্ধ হৈ থাকিব। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাই মহাপুৰুষ শ্ৰীমন্ত শংকৰগুৰুৰ মহাপ্ৰয়াণৰ স্থানত এটা শাখা গঠন কৰি বৰ অসমৰ বৃহৎ ধাৰণাটোক সাকাৰ ৰূপত আগুৱাই নিবলৈ আমি সকলোৱে যত্নপৰ হোৱাৰ সময় সমাগত। অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্প উপ-সমিতিৰ সঞ্চালক হৃদয়ানন্দ গগৈ, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰমলা ৰায় সৰকাৰ, জিলা কাৰ্যনিৰ্বাহক সদস্যা বাণী বৰুৱা, ধুবুৰীৰ গোলকগঞ্জ শাখা সাহিত্য সভাৰ অশোক কুমাৰ শৰ্মা প্ৰমুখ্যে বহুসংখ্যক সাহিত্যপ্ৰেমীয়ে অতিথি হিচাপে অংশগ্ৰহণ কৰা সভাখনত শ্ৰীশ্ৰী মধুপুৰ ধাম



সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ ৰায় ভকতক সভাপতি, ডেকা সত্ৰাধিকাৰ মাধৱদেৱ মহন্তক সম্পাদক, শ্ৰীশ্ৰী হৰিদেৱ মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ অখিল সূত্ৰধৰক উপ-সভাপতি, তুফানগঞ্জৰ ৰাকেশ বৰ্মনক সহকাৰী সম্পাদক, মাণিক চেতিয়াক ধনভৰালী আৰু বিশ্বজিৎ দত্তক সদস্য হিচাপে লৈ শ্ৰীশ্ৰী মধুপুৰ ধাম সত্ৰ শাখা সাহিত্য সভাখন আনুষ্ঠানিকভাৱে গঠন কৰা হয়। সত্ৰাধিকাৰ পীতাম্বৰ ৰায় ভকতৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ডেকা সত্ৰাধিকাৰ মাধৱদেৱ মহন্তই।

# চকলাঘাট খাটোৱাল গাঁৱত আঘাতপ্ৰাপ্ত ঈগল পক্ষী উদ্ধাৰ

**ই-সংবাদ, বেবেজীয়া, ২১ এপ্ৰিলঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ খাটোৱাল গাঁৱত সোমবাৰে এটা দুষ্প্ৰাপ্য প্ৰজাতিৰ আঘাটপ্ৰাপ্ত ঈগল চৰাই উদ্ধাৰ হয়। আচলতে, গাঁওখনৰ মিণ্টু বৰা নামৰ যুৱকজনে তেওঁলোকৰ ঘৰৰ পিছফালৰ বাৰীৰপৰা কেইটামান বান্দৰে এটা বৃহৎ আকাৰৰ পক্ষী খেদি অনা প্ৰত্যক্ষ কৰে। লগে লগে তেওঁ তৎপৰতাৰে বান্দৰৰ কবলৰপৰা পক্ষীটোক উদ্ধাৰ কৰি সুৰক্ষা প্ৰদান কৰে যদিও পৰৱৰ্তী সময়ত পক্ষীটোৱে কাষৰ ফুলমাই বৰাৰ বাৰীত আশ্ৰয় লয়। এই কথা গম পাই সেই স্থানত বেবেজীয়া প্ৰেছ ক্লাবৰ উপ-সভাপতি কল্যাণ কুমাৰ বৰা উপস্থিত হৈ আঘাটপ্ৰাপ্ত পক্ষীটো বিৰল প্ৰজাতিৰ ঈগল পক্ষী বুলি নিশ্চিত কৰি অনতিপলমে সৰ্পবান্ধৱ তথা বন্যপ্ৰাণী উদ্ধাৰক ভাস্কৰজ্যোতি বৰাক খবৰ দিয়াত প্ৰকৃতিপ্ৰেমী ভাস্কৰজ্যোতি বৰা উপস্থিত হৈ তৎপৰতাৰে পক্ষীটোক উদ্ধাৰ কৰে। পিছত এই খবৰ পাই বন বিভাগৰ লোক উপস্থিত হৈ ভাস্কৰজ্যোতি বৰাৰপৰা দুষ্প্ৰাপ্য পক্ষীটোক চমজি লৈ কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন



কেন্দ্ৰলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য, ৰাজ্যৰ বিভিন্ন প্ৰান্তত এচাম অসাধু প্ৰকৃতিৰ লোকে বন্যপ্ৰাণী নিধন কৰি ইয়াৰ মাংস, ছাল, নখ, হাড় আদিৰ চোৰাং বেহা চলাই অহাৰ সময়ে এনেদৰে বিৰল প্ৰজাতি ঈগল পক্ষী উদ্ধাৰ কৰি বন বিভাগক গতাই দিয়া এনে কাৰ্যৰ শলাগ লৈছে সচেতন মহলে।

# পদ্মনাথ গোহাঁইবৰুৱাৰ নাতিনী সবিতা বৰগোহাঁইৰ দেহাৱসান

**ই-সংবাদ, ডিব্ৰুগড়, ২১ এপ্ৰিলঃ** ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰ নিবাসী অসমৰ এটি পুৰণি সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী সবিতা বৰগোহাঁইৰ কালি পুৱা স্থানীয় এখন চিকিৎসালয়ত ৯৬ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। স্কুলসমূহৰ উপ-পৰিদৰ্শক প্ৰয়াত মহেশ্বৰ বৰগোহাঁইৰ পত্নী সবিতা বৰগোহাঁই অসমৰ স্বাধীনতা আন্দোলনৰ মুক্তিযুঁজাৰু তথা ব্ৰিটিছ আমোলৰ অসম লেজিছলেটিভ কাউঞ্চিলৰ এম এল চি অসমগৌৰৱ প্ৰয়াত ৰোহিণীকান্ত হাতীবৰুৱাৰ একমাত্ৰ কন্যা তথা অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি সাহিত্যকাণ্ডাৰী প্ৰয়াত পদ্মনাথ গোহাঞিবৰুৱাৰ নাতিনী আছিল। উল্লেখযোগ্য যে গোহাঁইবৰুৱাৰ নাতিনী ৰূপে তেওঁৰ ঘৰতে বাল্যকাল আৰু যৌৱনকাল অতিবাহিত কৰা সবিতা বৰগোহাঁয়ে ককাকৰ সৈতে অতি ঘনিষ্ঠ ৰূপে থকা কালছোৱাত তেওঁৰ ৰচনাৱলীৰ পাণ্ডুলিপিসমূহ নিজৰ সুন্দৰ আখৰেৰে লিখি প্ৰস্তুত কৰি দিছিল। এগৰাকী অতি অমায়িক আৰু সৰবৰহী মহিলা ৰূপে জনাজাত সবিতা বৰগোহাঁইৰ মৃত্যুৰ সময়ত তেওঁৰ পুত্ৰ ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেড অসম অইল ডিভিজনৰ অৱসৰপ্ৰাপ্ত মহাপ্ৰবন্ধক জীৱন্ত বৰগোহাঁই, তিনিগৰাকী কন্যা ক্ৰমে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰাক্তন ঘোষিকা ডেইজী বৰগোহাঁই, অসম জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা অৱসৰপ্ৰাপ্ত আইভী গোহাঁই দাশগুপ্ত, চিকিৎসক লাভলী গোহাঁই সান্ধু আৰু তিনিজন জোঁৱাইৰ লগতে নাতি, আজো নাতি-নাতিনীসহ অনেক আত্মীয়ক এৰি যায়।

# ছিপাঝাৰত পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**ই-সংবাদ, ছিপাঝাৰ, ২১ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত ভুক্তাবাৰীত আজি নিচেই পুৱাতে এখন মাটি কঢ়িওৱা ডাম্পাৰে প্ৰাতঃভ্ৰমণলৈ অহা এগৰাকী মহিলাক মহটিয়াই লৈ যায়। ফলত ঘটনাস্থলীতে মৃত্যু হয় মীনাক্ষী বৰুৱা নামৰ এগৰাকী মহিলাৰ। এই দুৰ্ঘটনাত মহিলাগৰাকীক খুন্দিয়াই পথৰ দাঁতিত বাগৰি পৰে এ এছ-১৩ এচি-৬৮৪১ নম্বৰৰ মাটিভৰ্তি ডাম্পাৰখন। দুৰ্ঘটনা সংঘটিত কৰিয়েই ঘটনাস্থলীৰপৰা চালকজনে পলায়ন কৰে। দুৰ্ঘটনাত নিহত মহিলাগৰাকী দুটি সন্তানৰ মাতৃ আছিল বুলি জানিব পৰা গৈছে।

# বৰমাত উলহ-মালহেৰে চতুৰ্দশ ৰংজালি বৈছাগু উৎসৱ পালন

**ই-সংবাদ, বৰমা, ২১ এপ্ৰিলঃ** বাক্সা জিলাৰ বৰমা আঞ্চলিক এবছুৰ প্ৰাংগণত ১৪ তম ৰংজালি বৈছাগু উৎসৱ আজি দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্য্যসূচী অনুসৰি পুৱা ৭ বজাত মুখ্য দ্বাৰ উন্মোচন কৰে বাক্সা জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দিপক কুমাৰ বসুমতাৰীয়ে, মঞ্চ উন্মোচন কৰে ভাৰতীয় ষ্টেট বেংক, মাখিবাহা শাখা প্ৰবন্ধক মাধৱ ৰামছিয়াৰীয়ে, ৭.৪৫ বজাত ভোজনালয় উদ্বোধন কৰে সমাজকৰ্মী ভূধৰ ব্ৰহ্মাই, ৮ বজাত বিহুৰ পতাকা উত্তোলন কৰে সভাপতি গদাধৰ বড়োৱে। ৮.৪৫ বজাত গছপুলি ৰোপণ। ৯ বজাত জ্যেষ্ঠজনক মান কৰা আৰু সৰুক আশীৰ্বাদ দিয়া হয়। ইয়াৰ পিছতেই জনজাতীয় আহাৰ গ্ৰহণ কৰে । ৯.৪৫ বজাত সকলোৱে বৈছাগু নৃত্যত অংশগ্ৰহণ অনুষ্ঠান। এই অনুষ্ঠানত অংশগ্ৰহণ কৰে বিটিআৰ পৰিষদীয় সমষ্টিৰ ই এম ৰাকেশ ব্ৰহ্মাই। ১০ বজাৰপৰা বিভিন্ন খেল-ধেমালি আৰু নৃত্য প্ৰতিযোগিতা উন্মোচন কৰে বৰমা আঞ্চলিক এবছুৰ প্ৰাক্তন সম্পাদক বিপ্তি কুমাৰ বড়োৱে। দুপৰীয়া ২ বজাত গদাধৰ বড়োৰ সভাপতিত্ব



সাংস্কৃতিক মুকলি সভা অনুষ্ঠিত হয়। এই সভা মুকলি কৰে বৰমা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰৈৰূপ ব্ৰহ্মাই। স্মৃতিগ্ৰন্থ বৈছাগো ৰিফিনায় উন্মোচন কৰে ড° কবিতা ৰামছিয়াৰীয়ে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়ো, নিখিল বড়ো ছাত্ৰ সন্থা, বাক্সা জিলাৰ সভাপতি নন্দেশ্বৰ বড়ো, বৰমা চেম্বাৰ্ছ অফ কমাৰ্চৰ সভাপতি বিপুল কলিতা, সমাজকৰ্মী ক্ৰমে জগেন চৌধুৰী, নৰেন বড়ো, ধৰনি বড়ো। সন্ধিয়া ৬ বজাত বঁটা-বিতৰণী আৰু ৬.৩০ বজাত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়।

# বাৰাদিত সৎ সংঘৰ উদ্যোগত ৰঙালী বিহু উদযাপন



**ই-সংবাদ, জনীয়া, ২১ এপ্ৰিলঃ** বৰপেটা জিলাৰ অন্তৰ্গত বৃহত্তৰ বাৰাদি অঞ্চলৰ ঐতিহ্যমণ্ডিত সামাজিক সাংস্কৃতিক অনুষ্ঠান সৎ সংঘৰ উদ্যোগত ২০ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে গাঁও পঞ্চায়ত কাৰ্যালয় প্ৰাংগণত ৰঙালী বিহু উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৬ বজাত চাফাই অভিযান, পুৱা ৮ বজাত চাৰিখন পতাকা উত্তোলন কৰে ক্ৰমে বাৰাদি সত্ৰৰ মুখ্য পাঠক গংগাধৰ তালুকদাৰ, বামুণ বাৰাদিৰ সভাপতি বংশীধৰ দাস, ন-বাৰাদিৰ মুখ্য সংগঠক নিত্যানন্দ দাস আৰু পলাশৰতলৰ হৰেকৃষ্ণ দাসে। পুৱা ৯ বজাত ছহিদ তৰ্পণ কৰে সৎ সংঘৰ প্ৰাক্তন সক্ৰিয় কৰ্মী ফণীধৰ তালুকদাৰে। পুৱা ৯.৩০ বজাত বৃক্ষৰোপণ কৰে বাৰাদিৰ গাঁওপ্ৰধান ৰঞ্জিৎ পাঠক আৰু বাৰাদিৰ বয়োজ্যেষ্ঠ ব্যক্তি দ্বীজেন দেউৰীয়ে, পুৱা ১০ বজাত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট অভিনেত্ৰী দেৱযানী গায়নে, পুৱা ১১ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে অসম পুলিচৰ প্ৰাক্তন ভলীবল খেলুৱৈ অজিৎ তালুকদাৰে। দুপৰীয়া ৩ বজাত বিহুনৃত্য প্ৰতিযোগিতা, আবেলি ৫ বজাত অনুষ্ঠিত সম্বৰ্ধনা সভাত প্ৰাক্তন খেলুৱৈ, বিশিষ্ট সমাজসেৱক, সৎ সংঘৰ কৰ্মী, সত্ৰ পৰিচালনা সমিতিৰ সভাপতি, সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল দেখুওৱা কৃতী ছাত্ৰকে আদি কৰি কুৰিৰোধিক ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া ৬ বজাত বঁটা-বিতৰণী সভা, সন্ধিয়া ৬.৩০ বজাত সাংস্কৃতিক মঞ্চ মুকলি অনুষ্ঠান, সন্ধিয়া ৭ বজাত বঙাইগাঁৱৰ বিহু হুঁচৰি পৰিৱেশন, বৰদৈচিলা বিহুৱা দল, সন্ধিয়া ৭.৩০ বজাত পাটবাউসী বাৰেবৰণীয়া সমন্বয় গোষ্ঠীৰ অনুষ্ঠান, নিশা ৮ বজাত নয়ন বিকাশ দাস আৰু কৌতুক শিল্পী ৰবেন ভড়ালীৰ গীতৰ শৰাই আৰু নিশা ৯.৩০ বজাত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী নৱনীতা শৰ্মা আৰু চনু কাশ্যপৰ সংগীতানুষ্ঠানে দৰ্শকক আপ্লুত কৰে। ৰাইজৰ বিপুল সহযোগিতাত কাৰ্যসূচীসমূহ সফল ৰূপ দিয়াত উদযাপন সমিতিয়ে কৃতজ্ঞতা প্ৰকাশ কৰিছে।

# কলগাছিয়াত হাফিজ ৰফিকুলৰ সংবাদ-মেল

**ই-সংবাদ, কলগাছিয়া, ২১ এপ্ৰিলঃ** বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত অৱস্থিত এ আই ইউ ডি এফৰ মুখ্য কাৰ্যালয়ত সোমবাৰে জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে এক সংবাদ মেলৰ আয়োজন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক তীব্ৰ সমালোচনাৰে তুলাধুনা দিয়ে। সংবাদ মেলৰ জৰিয়তে বিধায়কগৰাকীয়ে কয় যে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰা মেৰুদণ্ডহীন নেতা। কাৰণ তেখেতৰ গৃহ জিলাৰ এখন সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থী দিব কৰাব পৰা নাই। বিজেপিক ৰাক অ'ভাৰ দিছে সমষ্টিসমূহ। উজনি অসমত কংগ্ৰেছৰ দম নাই। উজনিত কংগ্ৰেছে বিজেপিক ৰাক অ'ভাৰ দি নামনিত নিৰ্বাচন খেলিবলৈ আহিছে। কংগ্ৰেছৰ এই দুৰ্বলতা আৰু ভূপেন বৰাৰ ব্যৰ্থতা বৰ দুৰ্ভাগ্যজনক। ভুপেন বৰা আৰু অখিল গগৈয়ে বিজেপিৰ সৈতে গোপন মিত্ৰতা কৰি এ আই ইউ ডি এফৰ বিৰুদ্ধে প্ৰচাৰ চলাইছে। কিন্তু আমি বিজেপি আৰু কংগ্ৰেছক নামনিৰপৰা উৎখাত কৰিবলৈ সাজু হৈ আছো। লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচনত মন্দিয়া সমষ্টিৰ অন্তৰ্গত ৮ নং কলগাছিয়া, ১০ নং জনীয়া, ১১ নং সত্ৰকণৰা আৰু ৯ নং বৰভিঠা-চতলা জিলা পৰিষদত এ আই ইউ ডি এফৰ প্ৰাৰ্থী জিকিব বুলি বিধায়কজনে দাবী কৰে। এ আই ইউ ডি এফ দলৰ মূল নিৰ্বাচনী ইছ্যু হ'ল দুৰ্নীতিমুক্ত পঞ্চায়ত গঠন কৰা। বিগত সময়ছোৱাত কংগ্ৰেছ আৰু বিজেপিয়ে সংঘটিত কৰা ব্যাপক দুৰ্নীতি এইবেলি এ আই ইউ ডি এফৰ প্ৰাৰ্থী জয়ী হ'লে বন্ধ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

# পাৰৰছৰাত অবৈধ মাটি খনন, ক্ষুব্ধ ৰাইজ

**ই-সংবাদ, গোলকগঞ্জ, ২১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ অন্তৰ্গত পাৰৰছৰা ঢেলখোৱা মন্দিৰৰ ওচৰে পাজৰে প্ৰতিদিনে জেচিবিৰে অবৈধভাৱে মাটি খনন অব্যাহত থকা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দিনে নিশাই স্থান ডোখৰত মাটি খনন চলি আছে। পাৰৰছৰা গাঁৱত নতুনকৈ স্থাপন কৰা ইটা ভাটাত তাৰ পৰাই মাটি কঢ়িয়াই আছে। বিভাগীয় ৰয়েল্টি ফাঁকি দি মাটি খনন চলাই থকা সত্বেও গা লৰা নাই ছাগলীয়া বন বিভাগৰ। বন বিভাগৰ বিষয়াৰে গোপন মিতিৰালি কৰি মাটিৰ দালালে চলাইছে অবৈধ খনন। আনহাতে, একে অভিযোগ আগমনি থানাৰ যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ বিৰুদ্ধে। আনহাতে, মাটি কঢ়িয়াই গ্ৰামাঞ্চলত দৌৰি থকা ট্ৰেক্টৰসমূহৰ নাই কোনো বৈধ নথি-পত্ৰ। চালকসকলৰো নাই কোনো চালকৰ অনুজ্ঞাপত্ৰ। তৎসত্বেও নিমাত হৈ বহি আছে আৰক্ষী। মাটিৰ দালাল চক্ৰৰ লগত আৰক্ষী মিলি থকাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# অসম হকীৰ নতুন সমিতি গঠন, সভাপতি তপন দাস, কল্যাণী ডেকা সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত

**নগাঁও, ২১ এপ্ৰিলঃ** নগাঁও ক্ৰীড়া সংস্থাৰ স্প'ৰ্টছ ক্লাব পেভিলিয়নৰ সভাকক্ষত অসম হকীৰ জ্যেষ্ঠ উপ সভাপতি কিশোৰ জয়ন্ত মাধৱৰ সভাপতিত্বত দেওবাৰে অনুষ্ঠিত অসম হকীৰ বাৰ্ষিক সাধাৰণ সভাত আগন্তুক চাৰিবছৰীয়া কাৰ্যকালৰ বাবে তপন কুমাৰ দাসক সভাপতি, কল্যাণী ডেকাক সাধাৰণ সম্পাদক আৰু নুৰিজ্যোতি বৰুৱাক কোষাধ্যক্ষ ৰূপেলৈ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। অসম হকীৰ স্বীকৃতিপ্ৰাপ্ত ২৬ খন জিলাৰ প্ৰতিনিধিয়ে ভাগ লোৱা সেই সভাত হকী ইণ্ডিয়াৰ পৰ্যবেক্ষকৰূপে ইস্তিয়াক আলীৰ লগতে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ পৰা পৰ্যবেক্ষকৰূপে বিধান দাস আৰু অসম অলিম্পিক সন্থাৰ পৰা পৰ্যবেক্ষকৰূপে উজ্জল বৰুৱা উপস্থিত থাকে। দেওবাৰৰ সভাৰ কাৰ্যসূচী অনুযায়ী বিগত সভাৰ কাৰ্যবিৱৰণীৰ লগতে বিগত কাৰ্যকালৰ হিচাবৰ আয়-ব্যয় আৰু সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন সদনত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। আগন্তুক ২০২৫-২০২৯ কাৰ্যকালৰ বাবে গঠিত অসম হকীৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন নিৰ্বাচনৰ নীতি-নিয়ম অনুসৰি সম্পূৰ্ণ কৰা হয়। নিৰ্বাচন প্ৰক্ৰিয়াৰ দ্বাৰা সভাপতি, সাধাৰণ সম্পাদক আৰু কোষাধ্যক্ষ সহ ২২ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন বিনাপ্ৰতিদ্বণ্ডিতাৰে গঠিত হয়। অসম হকীৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন হ'ল এনেধৰণৰঃ—সভাপতি-তপন কুমাৰ দাস, জ্যেষ্ঠ উপ সভাপত-কিশোৰ জয়ন্ত মাধৱ মাধৱ, উপ সভাপতি-মোহন চন্দ্ৰ বৰা, সমুদ্ৰ বুঢ়াগোহাঁই, হীৰামণি ডেকা সোনোৱাল, জুণ্টি মেধি, সাধাৰণ সম্পাদক-কল্যাণী ডেকা, যুটীয়া সম্পাদক-প্ৰেমানন্দ খনিকৰ, মানস নন্দী, ৰঞ্জনা সিনহা, তাহেৰা বেগম লস্কৰ, সহকাৰী সম্পাদক-মৃনাল চহৰীয়া, আচ্ছেলাল প্ৰসাদ, ৰিংকী চৌহান, কোয়েল ৰয় চৌধুৰী, কোষাধ্যক্ষ-নুৰিজ্যোতি বৰুৱা, কাৰ্যবাহী সদস্য-দেবাশীষ বৰা, ৰণেন শৰ্মা, সঞ্জয় ক্ৰ', ৰীতা বৈদ্য কাকতি, জোনমণি কলিতা আৰু দিলীপ টাইড। দেওবাৰৰ সাধাৰণ সভাতে পাঁচগৰাকী সহযোগী উপ সভাপতি, পাঁচগৰাকী সহযোগী যুটীয়া সম্পাদক আৰু চাৰিগৰাকীক সহযোগী কাৰ্যনিৰ্বাহক সদস্যৰূপেও মনোনীত কৰা কৰা হয়। অসম হকীৰ নিৰ্বাচনৰ প্ৰক্ৰিয়াটো সুচাৰুৰূপে চলাই নিয়াৰ বাবে নিৰ্বাচনী বিষয়াৰূপে থকা জ্যেষ্ঠ অধিবক্তা অসীম কুমাৰ ভাৱালৰ সৈতে সহযোগীৰূপে থকা দীপক ভৌমিক আৰু নয়নমনি বনিয়াক সভাই ধন্যবাদ আগবঢ়ায়।




নগাঁও ক্ৰীড়া সংস্থাৰ স্প'ৰ্টছ ক্লাব পেভিলিয়নৰ সভাকক্ষত অনুষ্ঠিত অসম হকীৰ বাৰ্ষিক সাধাৰণ সভাৰ এটি মুহূৰ্ত

## চোৰৰ সৈতে আৰক্ষীৰ গোপন মিতিৰালিৰ অভিযোগ ৰাইজৰ

# ছিপাঝাৰ থানাৰ সন্মুখতে ৰাইজে আটক কৰিলে গৰু চোৰ

**ই-সংবাদ, ছিপাঝাৰ, ২১ এপ্ৰিলঃ** বৃহত্তৰ ছিপাঝাৰ অঞ্চলত দীৰ্ঘদিন ধৰি পশুধন চুৰি কৰি সন্ত্ৰাস সৃষ্টি কৰি অহা পাঁচটাকৈ গৰু চোৰক আজি খোদ ছিপাঝাৰ আৰক্ষী থানাৰ সন্মুখতে ৰাইজে আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, দেওবাৰে নিশা ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত নিজ ছিপাঝাৰত ৰাইজে এটা চুৰি গৰুসহ এএছ-০১ আৰ ডি-৪১৩২ নম্বৰৰ বলেৰ' বাহনখন আৰু এটা গৰু চোৰক কৰায়ত্ত কৰি ছিপাঝাৰ আৰক্ষী থানাত চমজাই দিছিল। ইয়াৰ পিছতে আজি পুৱা শতাধিক লোকে চুৰি হোৱা গৰু বিচাৰি থানাত ভিৰ কৰে। সেই সময়তে গৰু চোৰটোক মুকলি কৰি নিবলৈ এজন যুৱক ছিপাঝাৰ থানালৈ আহে। ৰাইজৰ সেই যুৱকজনৰ ওপৰত সন্দেহ ওপজাত সোধা-পোছা কৰাত ওলাই পৰে জোলোঙাৰ মেকুৰী। যুৱকজনক ৰাইজে সোধা-পোছা কৰি থকাৰ সময়তে ইয়াৰ কিছু নিলগত থকা আন তিনিজন যুৱক এখন বিলাসী বাহনেৰে পলায়ন কৰোঁতে ৰাইজে খেদি খেদি সেই তিনিজন যুৱকক ছিপাঝাৰ মটৰ ষ্টেচনত কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ৰাইজে গৰু চোৰকেইটাক আৰক্ষীৰ সন্মুখতে উত্তম-মধ্যম দিয়াৰ লগতে চোৰৰ এ এছ-০১ এ টি-০১৯১ নম্বৰৰ বিলাসী বাহনখনৰো ক্ষতি সাধন কৰে। অৱশ্যে ইয়াৰ পিছতে ৰাইজৰ কবলৰ পৰা গৰুচোৰ কেইটাক আৰক্ষীয়ে উদ্ধাৰ কৰি থানালৈ লৈ যায়। ধৃত গৰুচোৰ কেইটা হ'ল দৰঙৰ দলগাঁৱৰ বৰুৱাঝাৰৰ মইনুল হক, ওজাগাঁৱৰ ৰফিকুল ইছলাম, আফজৰ আলী, গলন্দিৰ ৰফিকুল ইছলাম আৰু ধুলাৰ হবিবুল্লা আলী। ৰাইজে এই ক্ষেত্ৰত উত্থাপন কৰা অভিযোগ অনুসৰি আৰক্ষীৰে গোপন মিতিৰালিৰে নিশা নিজ ছিপাঝাৰত ৰাইজে আটক কৰা চোৰটোক নিবলৈ আহিছিল আন চাৰিটা চোৰ। কিন্তু ৰাইজে অতি কৌশলেৰে আৰক্ষী থানাৰ সন্মুখতে চোৰকেইটাক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ৰাইজে উত্থাপন কৰা অভিযোগ মতে, আৰক্ষী আৰু চোৰৰ গোপন মিতিৰালিতে ছিপাঝাৰ অঞ্চলত দীৰ্ঘদিনৰে পৰা গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। কিয়নো পশুধন চুৰি হোৱাৰ পিছত আৰক্ষীক অৱগত কৰাৰ পিছতো চুৰি চক্ৰটোক আটক কৰিবলৈ কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল আৰক্ষীয়ে। এই লৈ এতিয়া সমগ্ৰ ছিপাঝাৰ অঞ্চলটোতে ব্যাপক প্ৰতিক্ৰিয়াই দেখা দিছে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি